চান্দমামা

ফেব্ৰুৱাৰি ১৯৮৮



“অলপ সময় লৈ ভাবি-চিন্তি আজি
তাৰে তোমাৰ খেলাঘৰ লোৱা ভাই আজি!”

—ফেভিফেইৰী





থাকুৰ আলনা ধাপে ধাপে কেনেকৈ সাজিব পাৰি, সেই বিষয়ে বিনামূলীয়া তথ্যৰ কাৰণে কুপনখন পঠিয়াওক বা যোগাযোগ কৰক এই ঠিকনাত: “ফেভি ফেইৰী”, পোষ্ট বক্স ১১০৮৪, বোম্বাই ৪০০ ০২৩।

লৰা-লৰিকৈ কিবা গঢ়িবলৈ
ইটো-সিটোৰে সময় কটাবলৈ
অতিকে মজাদাৰ
ফেভিকল এম-আৰ
আমোদেই মাথো মহয়
হাত বহি গৈ শেষত হবগৈ
এজনা ডাঙৰ যন্ত্ৰবিদ।
এয়া মাথো মনোহাৰী খেলনাৰ
বিধে বিধে নমুনা
ঘৰ, দুৱাৰ, ঘোৰা, হাতী,
বাঘ আৰু কত'যে কি।
ঘৰ, আলমাৰী, চকী-মেজ
য'তেই লগোৱা
জোৰা হয় বহু কঠিন
টিকেও বহু বেছি দিন।
নিখুঁত হৈ ৰব' চিৰকাল
চিৰ সঙ্গী তোমাৰ
ফেভিকল এম-আৰ।

থাকুৰ আলনা ধাপে ধাপে কেনেকৈ সাজিব পাৰি, সেই বিষয়ে বিনামূলীয়া তথ্যৰ কাৰণে কুপনখন পঠিয়াওক বা যোগাযোগ কৰক এই ঠিকনাত: “ফেভি ফেইৰী”, পোষ্ট বক্স ১১০৮৪, বোম্বাই ৪০০ ০২৩।

নাম: ______

বয়স: ______

ঠিকনা: ______

______

চহৰ: ______

ৰাজ্য: ______ পিন: ______

তোমাৰ মাহেকীয়া আলেন ফেভিক্ৰাফ্ট পালানে? হয়/নহয়

এম-আৰ
ফেভিকল
চিন্থেটিক এধেচিভ

উত্তম বস্তু গঢ়িবলৈ হলে উত্তম বস্তু বেই জোৰা দিব লাগে!

® চুৰো আৰু ফেভিকল বাত হ'ল পিডিলাইট ইণ্ডাষ্ট্ৰীজ প্ৰাঃ লিঃ, বোম্বাই ৪০০ ০২১-ৰ ৰেজিষ্টাৰ্ড ট্ৰেডমাৰ্ক।

OBM-2213 ASM

No share prices,
no political fortunes, yet...

Over 40% of Heritage readers are professionals or executives, 61% from households with a professional / executive as the chief wage earner. Half hold a postgraduate degree or a professional diploma.

– from an IMRB survey conducted in Oct. 1986



It's an unusual magazine. It has a vision for today and tomorrow.
It features ancient cities and contemporary fiction, culture and scientific developments, instead of filmstar interviews and political gossip. And it has found a growing readership, an IMRB survey reveals. Professionals, executives and their families are reading The Heritage in depth – 40% from cover to cover, 42% more than half the magazine.
More than 80% of The Heritage readers are reading an issue more than once.
And over 90% are slowly building their own Heritage collection.
Isn't it time you discovered why?

THE HERITAGE

So much in store, month after month.

CMP-2155

শ্ৰী গৌতম গোস্বামী
৪/২/৮৮

চান্দমামা

ফেব্ৰুৱাৰি ১৯৮৮

এই সংখ্যাত আছে

সম্বাদ-বি-সম্বাদ	:	৯
দুৰ্গম	:	১০
শাপে বৰ	:	১১
ফটা কঁথাৰ সোণ	:	১৬
স্বৰ্ণ-উপত্যকা	:	১৯
কৰ্তব্য	:	২৭
ফুলনি	:	৩৩
আমাৰ দেশৰ বিচিত্ৰ কথা	:	৩৫
পিতৃভক্তি	:	৩৯
কৃষ্ণাৰতাৰ	:	৪৩
আটাইতকৈ ডাঙৰ বেমাৰ	:	৫১
বাঞ্ছা-বিৰিখ	:	৫৫
ঈৰ্ষাৰ জুই	:	৬১
প্ৰকৃতিৰ বিস্ময়	:	৬৩

খনে : ২'৫০ পইচা মাথোন : বছৰেকীয়া বৰঙনি : ৩০'০০ টকা মাথোন

‘মেৰি’—২২ কেৰাটৰ সোণ-খতোৱা অলংকাৰৰ জগতত এক বিশ্বস্ত আৰু বিখ্যাত নাম। **গুণত অনুপম! সৌন্দৰ্য্যত অপৰূপ!! গেৰাণ্টিযুক্ত, প্ৰত্যেকৰ ৰুচিসম্মত অতুলনীয় অলংকাৰ!**

অৰ্ডাৰ পঠাওঁতে অলংকাৰৰ নম্বৰ উল্লেখ কৰিব। ডাক-মাচুল (ভি. পি.) অতিৰিক্ত। বিনামূলীয়া কেটালগৰ বাবে লিখি পঠাওক।



MERI GOLD COVERING WORKS

P.O. BOX: 1405, 14, RANGANATHAN STREET,
T. NAGAR, MADRAS-600 017, INDIA.

দিনটো আৰম্ভ হওক সুখত সজীৱ আমেজ লৈ সুখত!

পিপাৰমেন্ট আৰু স্পিয়াৰমেন্টৰ সতেজ সজীৱ আমেজ। বঢ়িয়া ফৰ্মূলাৰ নিমিষতে বিয়পি পৰা ফেনেৰে দাঁত চিকচিকীয়াকৈ পৰিস্কাৰ কৰে, নিশ্বাসত স্নিগ্ধ সুগন্ধ।

নতুন পণ্ডচ টুথপেষ্টৰে দাঁত ঘঁহিবলৈ অকণো আমনি নালাগে, বৰং ভালহে লাগে।

চাব, সৰু সৰু ল'ৰা-ছোৱালীয়ে এই টুথপেষ্টৰে দাঁত ঘঁহিবলৈ বৰ ভাল পাব।

আজিয়েই নতুন পণ্ডচ টুথপেষ্ট কিনক। আপোনাৰ জীৱনৰ প্ৰতিটো পুৱা হৈ উঠক সুন্দৰ, সাৰ্থক।



বিশেষ উপাদান থকাত ফেনবোৰ দ্ৰুত বিয়পি পৰে। শক্তিশালী ফেনত ...



... যিয়ে সহজেই দাঁতৰ ময়লা আৰু লুকাই থকা খোৱাবস্তুৰ টুকুৰা চাফা কৰি দি দাঁত সুস্থ আৰু চিকমিকীয়া কৰি তোলে।

নতুন
পণ্ডচ
টুথপেষ্ট

সুস্থ সবল ৰাখে দাঁত, সুৰভিত সতেজ নিশ্বাস

OBM 9795 ASS



চান্দমামা

সংস্থাপক * * * সঞ্চালক

চক্রপাণি * বি নাগিৰেড্ডি

আত্মস্বাৰ্থৰ বাবে মানুহে জীৱনকালত বহুবিধৰ অন্যায় কাম নকৰা নহয়। কিন্তু বুঢ়াকালত সেই স্বাৰ্থমূলকী অন্যায় কামৰ বাবে হয় অনুতপ্ত। এই সম্পৰ্কীয় এটি কাহিনী ৫১ পৃষ্ঠাত কোৱা হৈছে। ধনৰ ধনী ডাঙৰনে মনৰ ধনী ডাঙৰ জানিবলৈ হ'লে ১১ পৃষ্ঠা চাব লাগিব। প্ৰকৃত নিষ্ঠা তথা ভক্তিয়ে মানুহক কি দিয়ে সেই কথা আছে ৩৯ পৃষ্ঠাত। আৰু 'বাঞ্ছাবৃক্ষ' বা 'কল্পতৰু' বিচাৰি পোৱা যাব ৫৫ পৃষ্ঠাৰ অৰণ্যত। এই সংখ্যাৰ অন্যান্য গল্প-কাহিনীও অতি আকৰ্ষণীয় তথা শিক্ষাপ্ৰদ। সদৌটিলৈ শুভেচ্ছাৰে।

অমৰ-বাণী

গিৰিয়ো গুৰবস্তেভ্যো পৃথ্বী গুৰ্বী ততোপি জগদ্গুৰু
তস্মাদব্যাতি গুৰবঃ প্ৰলয়েপ্যচলা মহাত্মানঃ ॥

[পৰ্বতৰ মাহাত্ম্য আছে, পৰ্বততকৈ অধিক মাহাত্ম্য ভূমিৰ, ভূমিতকৈ বিশ্বৰ মাহাত্ম্য অধিক। আৰু সেইসকলৰ মাহাত্ম্য সৰ্বাধিক, যিসকলে প্ৰলয়কালতো অচঞ্চল থাকে।]

বছৰ ঃ ১২ ফেব্ৰুৱাৰি ১৯৮৮ সংখ্যা ঃ ১১

খনে ঃ ২'৫০ টকা ঃ ঃ বছৰেকীয়া বৰঙণি ঃ ৩০'০০ টকা

চুপাৰফাইটাৰ!
FOAMING
Forhan's
FLUORIDE
The toothpaste that tightens gums, fights cavities
তেওঁৰ বন্ধুগণে তেওঁক কয় "লিটিল মাষ্টাৰ" সমগ্ৰ জগতে ক্ৰিকেটৰ পৰম্পৰাত তেওঁক জানে চুপাৰব্যাটচমেন হিচাবে। কিন্তু চুনিল গাভাচকাৰে নিজে কয় "মই এজন চুপাৰফাইটাৰ, মই বিছাৰো মোৰ লৰাটোও যাতে তেনে হয়। সেয়েহে মই সৰুৰ পৰাই শিকাইছো ফৰহান্স ফ্লোৰাইড টুথপেষ্টৰে দাঁত মাজিবলৈ–দাঁতৰ ক্ষয় ৰোধৰ বাবে সচাঁকৈয়ে চুপাৰফাইটাৰ।"
দাঁতৰ ফাকত ৰৈ যোৱা খাদ্যকনাই ৰোগ-জীৱাণু জন্মাই আৰু তাত নিগৰিত এচিডে দাঁত ক্ষয় কৰে। ফৰহান্স চুপাৰফাইটাৰত আছে সক্ৰিয় ফ্লোৰাইড যি দাঁতৰ আৰু মজবুটভাৱে সুৰক্ষিত কৰে। সেয়েহে ৰোগ বিজাণু জন্ম নহয় আৰু দাঁতৰো ক্ষয়ৰোগ নহয়। ফৰহান্সৰ বিশেষ এচট্ৰিঞ্জেণ্টয়ে আৰু মজবুত কৰি ৰাখে। সেয়েহে দাঁতক দিয়ে মজবুত গাঠনি আৰু দীৰ্ঘায়ু কৰি ৰাখে।
চুনিলৰ ভাষাত "মই মোৰ ল'ৰাটোক দিছো ফৰহান্স কেয়াৰ। আপুনি তাৰ বাবে কি কৰিছে?"
ফৰহান্স
GM-113/86 Ass

চান্দমামাৰ
সম্বাদ-বি-সম্বাদ

কণীৰ বয়স

আমেৰিকাৰ পশ্চিম কোলোৰাডোত সম্প্ৰতে ১৪৫ মিলিয়ন বছৰৰ আগৰ এক বিৰাট ভয়ংকৰ জেঠিৰ [ডায়নছ'ৰাছ] কণীৰ খোলা আৱিষ্কৃত হৈছে। এই কণীটোকেই পৃথিৱীৰ প্ৰাচীনতম কণী হিচাপে ঘোষণা কৰা হৈছে। বিজ্ঞানীসকলে এই বিৰাট ডায়নছ'ৰাছটোৰ জঁকা বিচাৰি উলিয়াবলৈ যত্নপৰ হৈছে। এই কণীটো দীঘলে ২০ চেণ্টিমিটাৰ আৰু বহলে ৯ চেণ্টিমিটাৰ বুলি অনুমান কৰা হৈছে!

পনীয়া ল'ৰা

ছৌদী আৰবত হান্দন্ অসৈৰী নামৰ দহ বছৰীয়া ল'ৰা এটিয়ে মাটিৰ তলত কোনখিনিত পানী আছে, সেই কথা কৈ দিব পাৰে। অসৈৰীৰ আব্বাজানে [দেউতা] ঘৰৰ আগত যেতিয়া কুঁৱা খান্দিবলৈ ল'লে, তেতিয়া ল'ৰাটিয়ে তেওঁক কৈ দিলে যে কোনখিনিত খান্দিলে পানী ওলাব। তাৰ পাছত এই দহ বছৰীয়া ল'ৰাটোৰ কথামতে ১০৫ ঠাইত মাটি খান্দি ফটফটীয়া পানী পোৱা হৈছে!



বেলিৰ বয়স

বহুতৰে ধাৰণা, অৰ্থাৎ বেলিৰ বয়স ৬০০০ মিলিয়ন বছৰ। কিন্তু বিশিষ্ট বিজ্ঞানী বদনওৱাল শ্ৰীকান্তনে সম্প্ৰতে মস্কোত অনুষ্ঠিত আন্তৰ্জাতিক বিশ্ব-কিৰণ বিজ্ঞান সন্মিলনত কৈছে যে, আমাৰ বেলিৰ বয়স ৪৬০০ মিলিয়ন বছৰহে!

জোনছৰ জোনালী নহয় তো প্ৰেমালি

দ্বিতীয় বিশ্বযুদ্ধৰ কালছোৱাত ট্ৰিস্টন জোনছ নামৰ সৈন্য এজনৰ বাঁওভৰিখন অকামিলা হৈ পৰিছিল। তাৰ ফলত বৃটিছ ৰয়্যাল নেভিৰপৰা তেওঁক বৰ্খাস্ত কৰা হ'ল। তাৰ পাছত—যোৱা ৩৪ বছৰত জোনছে ৬৪০০০০ কিলোমিটাৰ সমুদ্ৰ ভ্ৰমণৰ যোগেদি তিনিবাৰ পৃথিৱী প্ৰদক্ষিণ কৰিলে।



দুৰ্গম

একালত দুৰ্গম নামৰ এটা ৰাক্ষস আছিল। দুৰ্গমে সাধু সজ্জনসকলক নানা ধৰণে পাকত পেলাই কষ্ট দিবলৈ ন ন উপায় উদ্ভাবন কৰিছিল। মুনি-ঋষিসকলে পতা যজ্ঞানুষ্ঠানৰ গুৰিকথা আছিল বেদ। দুৰ্গমে এনেবোৰ যজ্ঞ পণ্ড তথা বন্ধ কৰিব বুলি ভাবি বেদ নোহোৱা কৰিবলৈ বৰ লাভ কৰাৰ মনেৰে তপস্যা কৰিবলৈ ধৰিলে। তপস্যা কৰি, বৰ লাভ কৰি, দুৰ্গমে বেদসমূহক চুৰি কৰি আনিলে আৰু বেদৰ কথা যাতে মুনি-ঋষিসকলে মুখেৰেও মাতিব নোৱাৰে তাৰ বাবে ব্যৱস্থা কৰিলে।

দুৰ্গমৰ দুৰ্ঘোৰ প্ৰচেষ্টাৰ ফলত মুনি-ঋষিসকলে যাগ-যজ্ঞ কৰিব নোৱৰা হ'ল। যাগ-যজ্ঞ নকৰাত বৰষুণ নহ'ল, পৃথিৱীৰ মানুহ দুৰ্দশাগ্ৰস্ত হৈ পৰিল।

এনে অৱস্থাত মুনি-ঋষিসকল জগৎমাতা দুৰ্গাৰ কাষ চাপিল। তেওঁলোকৰ কথা শুনি আই দুৰ্গাই আকাশলৈ চোৱাৰ লগে লগে ধাৰাসাৰ বৰষুণ নামিল।

মুনি-ঋষিবৃন্দ আই দুৰ্গাৰ কাষ চপা শুনি দুৰ্গমো আই দুৰ্গাৰ ওচৰলৈ গ'ল। আই দুৰ্গাৰ কাষ চপাৰ লগে লগেই দুৰ্গমৰ দেহৰপৰা অসংখ্য অস্ত্ৰ ওলাল আৰু এইবোৰ অস্ত্ৰয়েই দুৰ্গমক বধ কৰি পেলালে।

দুৰ্গমৰ মৃত্যুৰ অন্তত মুনি-ঋষিসকলে পুনৰ পৱিত্ৰ বেদৰ সন্ধান পোৱা হ'ল। তাৰ পাছত পুনৰ যাগ-যজ্ঞ অনুষ্ঠিত হোৱাত ক্ৰমে ক্ৰমে জগতৰ অৱস্থাও স্বাভাৱিক হৈ উঠিল।

শাপে বৰ

মাতৃহীনা মন্দিৰাক তাইৰ দেউতাক মহন্তই কৈ আছিল, "আই, মোক তুমি ৰন্ধা-বঢ়া শিকাই দিয়া। নহ'লে—তোমাৰ বিয়াৰ পাছত মইনো কেনেকৈ কি কৰিম? তোমাক যে চাবলৈ আহিছিল—শেখৰৰ সেই অভিভাৰকইঁতে—তেওঁলোকে তোমাক পচন কৰিলেই।"

কিন্তু মন্দিৰাই একো নৌ ক'বলৈ পাওঁতেই তাত মহন্তৰ বন্ধু আনন্দময় হঠাৎ ওলালহি আৰু মহন্তক ক'লে, "হেৰাহে মহন্ত, আমাৰ গাঁৱৰ এঘৰত মনোময় নামৰ ডেকা এজন হৰিগাঁৱৰপৰা আহিছে। তুমি মোক মন্দিৰাৰ বাবে দৰা চাবলৈ কৈছিলা। এই ডেকাজনক চাবা যদি লৈ আহোঁগৈ। কথা-বতৰা পাতি ভাল পালে ভাল—কামৰ কথা ক'বা, নহ'লে তেতিয়াই তাক বিদায় দিবা।"

মহন্তই ক'লে, "কিন্তু—এটা কথা হ'ল নহয়? অমৰাগাঁৱৰ অনন্তৰামৰ পুতেক শেখৰৰ অভিভাৰকইঁতে তাইক চাই গ'ল, আৰু তিনি দিনৰ পাছত কি কৰিব-নকৰিব জনাব বুলি কৈ গ'ল। গতিকে এওঁলোকৰ কথা শুনাৰ আগতে আন কাৰোবাৰ লগত এই বিষয়ে কথা পতাটো ঠিক হ'ব জানো?"

"হ'ব।" আনন্দময়ে ক'লে, "আন কাৰোবাৰ সৈতে যোগাযোগ কৰাত একো দোষ নহ'ব। ছোৱালীৰ বিয়াত ছেলে-বেলো কিমান যে হয় কোনে নাজানে।"

*

তাৰ পাছত আনন্দময়ে মনোময়ক লৈ আহিলগৈ। প্ৰাথমিক পৰিচয়-পৰ্বৰ

নিবাৰণ ভট্টাচাৰ্য্য



অন্তত মনোময়ে মহন্তক ক'লে, "চাওক, মই কিন্তু একদম অকলশৰীয়া। মোৰ আত্মীয়-স্বজন ক'তো কোনো নাই। মোৰ নিজৰ বোসা—আছে এটা সৰু ঘৰ, আৰু অলপ খেতি-মাটি। এই মাটিত মই নানাবিধৰ শাক-পাচলি ওপজাওঁ, আৰু সেইখিনি বেচিয়েই পেট প্ৰৱৰ্তাওঁ।"

অলপ পাছত, বিদায় লৈ গুচি যোৱাৰ পৰতে মনোময়ে পুনৰ মহন্তক ক'লে, "এটা কথা। মন্দিৰাক চাই যিকোনো মানুহেই ভাল পাব, ময়ো নোপোৱা নহয়; কিন্তু কেৱল মই ভাল পোৱাটোৱেই শেষ কথা নহয়। কথা—আৰু আছে। তাৰ মানে—মোক মন্দিৰাই একেবাৰে ভাল নাপাবও পাৰে। যি কি নহওক, মোক দুই-চাৰি দিনৰ ভিতৰত খাটাংকৈ জনায়ে যদি, বৰ ভাল পাম।"

*

মন্দিৰায়ো মনোময়ক ভালেই পোৱা হ'ল। বিশেষকৈ মনোময়ৰ অতি স্পষ্ট আৰু আঁৰ-বেৰ নথকা কথা-বাৰ্তা। পিছে—মহন্তই তাইক ক'লে, "মনোময়ে নিজে কোৱা মতেই তাৰ আ-অৱস্থা ভাল নহয়, প্ৰায় দিনভিক্ষা প্ৰাণৰক্ষাৰ দৰে অৱস্থা। কিন্তু শেখৰহঁত হ'ল বিৰাট ধনী।"

দেউতাকৰ এই কথাৰ উত্তৰত মন্দিৰাই তাইৰ দেউতাকক একো নক'লে।

*

পাছ দিনা ধলপুৱাতে মহন্তই মন্দিৰাক ক'লে, "আই, মই শেখৰহঁতৰ ঘৰলৈ ওলাইছোঁ। সিহঁতক সুধি আহোঁগে। নহ'লে মনোময়ক কেনেকৈ কি ক'ম।"

মহন্তও ওলাল, আৰু খন্তেকমানৰ অন্তত কোনোবাই মাত লগালেহি, "মহন্তদেউ ঘৰত আছেনে?"

*

ঘৰৰ দুৱাৰ খুলি মন্দিৰা ওলাই আহিল। মহন্ত ঘৰত নাই বুলি শুনি অচিনাকি মানুহজনে মন্দিৰাক ক'লে,



মোৰ নাম হৰকান্ত, মই হৰিগাঁৱৰপৰা আহিছোঁ। শুনিলোঁ — আমাৰ গাঁৱৰ মনোময়ৰ লগত আপোনালোকৰ কিবা এটা বিশেষ সম্পৰ্ক পতাৰ যো-জা কৰা হৈছে। এই কথা শুনি সমাজৰ এজন দায়িত্বশীল মানুহ হিচাপে এই কথাটো ক'বলৈ আহিলোঁ যে—এই মনোময় কিন্তু চোৰ। চুৰিৰ অপৰাধত সি ইতিমধ্যেই দুবছৰ ফাটেক খাইছে। এতিয়া বাৰু আপোনালোকে যি কৰে কৰি থাকক।"

*

মানুহজন তৎক্ষণাৎ গুচি গ'ল, আৰু লগে লগে মন্দিৰাও চুৰবীয়া হৰিগাঁৱলৈ বুলি ৰাওনা হ'ল। তাই পোনে পোনেই আক-তাক সুধি মনোময়ৰ ঘৰ পালেগৈ।

*

মন্দিৰাক তাত দেখা পাই অতিপাত অবাক হৈ পৰা মনোময়ে সুধিলে, "কথানো কি? হঠাৎ—ইয়ালৈ—"

মন্দিৰাই কঠোৰ মাতেৰে মনোময়ক ক'লে, "মই এতিয়া যি কথা সুধিম, তাৰ সঁচা উত্তৰ দিব। আপুনি চুৰিৰ অপৰাধত দুবছৰৰ বাবে—"

"আগতে বহাচোন।" মনোময়ে মন্দিৰাক বহিবলৈ ধুনীয়া চকী এখনলৈ আঙুলিয়াই ক'লে, "মই যে কিয় দুবছৰৰ বাবে ফাটেকত আছিলোঁ, ক'ম তোমাক। এই বিষয়ে লুক-ঢাক কৰিবলৈ মোৰকোনো ইচ্ছাও নাই, প্ৰয়োজনো নেদেখোঁ।" এই বুলি কোৱাৰ অন্তত মনোময়ে তাৰ ফাটেক খোৱাৰ যি কাহিনী মন্দিৰাক ক'লে, তাৰ সাৰমৰ্ম হ'ল:

নিচেই সৰুতেই মাউৰা হৈ পৰা মনোময়ক তাৰ আইতাকে ডাঙৰ-দীঘল কৰিছিল। আইতাকে তাক ইমানেই মৰম কৰিছিল যে সি জেউৰ ধৰিলে যিকোনো কথা তেওঁ মানি লৈছিল। আৰু তাৰ ফলত সি নিশিকিলে পঢ়া-লিখা, নাজানিলে কোনো কাম-বন।

এদিন গৰুগাড়িত উঠি নগৰলৈ গৈ থাকোঁতে বাটত গাড়ি ৰখাই মহিলা এগৰাকীয়ে মনোময়ক সুধিলে, "বোপা, নগৰলৈ গৈ আছানে কি তুমি?"

"ওঁ, কেলেই? কিবা—" মনোময়ে কথাষাৰ শেষ কৰাৰ আগতেই সেই মহিলাগৰাকীয়ে কৈ উঠিল, "মোক তেন্তে অলপ সহায় কৰা। মোৰ ল'ৰাটো তাত থাকি পঢ়া-লিখা কৰে। এই টেমাটোত লাৰু কেইটামান আছে, তাক দিবা। তাৰ নাম নাৰায়ণ। নগৰ পালেই তুমি ৰামচন্দ্ৰৰ মন্দিৰ পাবা। তাত, মন্দিৰৰ দুৱাৰমুখতে সি থিয় হৈ থাকিব।"

মনোময় নগৰলৈ গ'লগৈ। কিন্তু নগৰলৈ সোমোৱাৰ বাটতে প্ৰহৰীহঁতে গৰুগাড়িখন ৰখাই ক'লে, "গাড়িত কি আছে?"

"এই টেমাটোৰ বাহিৰে আন একো নাই।" মনোময়ে প্ৰহৰীহঁতক ক'লে। প্ৰহৰীহঁতে টেমাটো খুলি চালে আৰু সেই টেমাটোৰ ভিতৰত থকা লাৰুৰ তলৰপৰা কেইপদমান সোণৰ অলংকাৰ উলিয়ালে। প্ৰহৰীহঁতে মনোময়ক গাড়িৰ-পৰা টানি নমোৱাৰ লগে লগে নগৰৰ দুৱাৰমুখত থকা ৰামচন্দ্ৰ মন্দিৰৰ সমুখৰপৰা এজন যুৱক চোৰৰ দৰে দৌৰি পলাল।

মনোময়ে বিচাৰকক বুজাই কোৱাৰ চেষ্টা কৰিলে যে সি চুৰি কৰা নাই। কিন্তু বিচাৰকে মনোময়ৰ কথাত পতিয়ন নগৈ তাক অপৰাধী সাব্যস্ত কৰি দুবছৰৰ বাবে কঠোৰভাৱে কাৰাদণ্ড বিহিলে।

মন্দিৰাক সকলো কথা কোৱাৰ অন্তত মনোময়ে পুনৰ ক'লে, "আগতে মই কোনো কাম-বন শিকা নাছিলোঁ। কিন্তু ফাটেকত থকা দুবছৰত মই খেতি-বাতিৰ কাম মনপুতি শিকিলোঁ আৰু সেইখিনি বিদ্যা জীৱনৰ কামত লগালোঁ।"

"মোক চাবলৈ যোৱাৰ দিনাই এই কথাখিনি কোৱাটো উচিত আছিল।" মন্দিৰাই মনোময়ক ক'লে।

মনোময়ে হাঁহি মাৰি ক'লে, "বিনা অপৰাধত এনেকৈ ফাটেক খোৱাত এই কথা মোৰ মনতে নপৰে। পিছে— ঘৰলৈ উভতি অহাৰ পাছত কথাটো মনত পৰাত কথাটো জনাবলৈ মই মোৰ বন্ধু হৰকান্তক তোমালোকৰ ওচৰলৈ পঠিয়াইছিলোঁ।" মনোময়ে মন্দিৰাক ক'লে।

*

সন্দেহমুক্ত হৈ মন্দিৰা ঘৰলৈ উভতি গ'ল। তিমানতে তাইৰ দেউতাকো শেখৰ-হঁতৰ ঘৰৰপৰা উভতি আহিছিল। তেওঁ জীয়েকক সুধিলে, "ক'লৈ গৈছিলি তই ?"

মন্দিৰাই এই কথাৰ উত্তৰ দিবলৈ নৌপাওঁতেই মহন্তই পুনৰ কৈ উঠিল, "শুনিলোঁ—সেই মনোময় বোলাটো এটা চোৰ। জানি-বুজি তাৰ লগত তোক দিম কেনেকৈ ? তাৰ কথা তই পাহৰি পেলা, আই। শেখৰ পাত্ৰ হিচাপে অতি ভাল। যদিও সিহঁতে ত্ৰিছ হেজাৰ টকা নগদে খুজিছে, তথাপি ভাল। কিয়নো সি তো চোৰ নহয়। মই মাটি-ভেটি বেচি হ'লেও ত্ৰিছ হেজাৰ যোগাৰ কৰিব পাৰিম।"

"কোনো দৰ্কাৰ নহ'ব, দেউতা। ইমান ধনী হোৱা সত্বেও যেতিয়া ত্ৰিছ হেজাৰ টকা খুজিছে, সিহঁতেই হ'ল আচল চোৰ। মনোময় চোৰ নাছিল, চোৰ নহয়। তেওঁৰ প্ৰকৃত ঘটনাৰ কথা মই সবিস্তাৰে শুনি আহিছোঁ।" এই বুলি কোৱাৰ অন্তত মনোময়ৰ ঘটনাৰ কথা বিবৰি তই মন্তব্য কৰিলে, "এফালৰ-পৰা ভাবি চালে সেই কাৰাদণ্ড মনোময়ৰ পক্ষে শাপে বৰহে হৈছিলগৈ। ফাটেকত থাকি একো নজনা মনোময়ে মনপুতি কাম কৰি শ্ৰমক ভাল পাবলৈ শিকিছিল।"

*

কিছুদিনৰ অন্তত মনোময়ৰ সৈতে মন্দিৰাৰ সুন্দৰকৈ বিয়া হ'ল।



ফটা কঁথাৰ সোণ

জহৰী ধনগুপ্তই শ্ৰীধৰক চাকৰিত মকৰল কৰা আজি কমেও পোন্ধৰ বছৰমান হৈ গ'ল। কিন্তু তাৰ দৰমহা পোন্ধৰ বছৰতো ক'বলৈ গ'লে প্ৰায় নাবাঢ়িল। মহীয়া ধন বঢ়াৰ লা-লক্ষণ নেদেখি, শ্ৰীধৰে শ্ৰীপুৰৰ ধনগুপ্তক এৰি কমলাপুৰৰ বিখ্যাত জহৰী অনন্তগুপ্তৰ ওচৰত চাকৰি বিচাৰি ওলালগৈ।

অনন্তগুপ্তই শ্ৰীধৰক কামত ল'ব বুলি ক'লে। কিন্তু তাক কেইদিনমানৰ পাছত আহিবলৈ কৈ, তাৰ সম্পৰ্কে অনুসন্ধান কৰাৰ মনেৰে তেওঁ ধনগুপ্তৰ কাষ চাপিল।

শ্ৰীধৰৰ সম্পৰ্কে সোধাত ধনগুপ্তই পঞ্চমুখেৰে শ্ৰীধৰক শলাগিলে আৰু সদৌশেষত মন্তব্য কৰিলে, "শ্ৰীধৰ নথকাহেঁতেন মোৰ কাৰবাৰৰ শ্ৰীবৃদ্ধি কেতিয়াও নহ'লহেঁতেন!"

তাৰ পাছত, পাঁজিপুথি চাই, এক শুভদিনত অনন্তগুপ্তই শ্ৰীধৰক চাকৰিত মকৰল কৰাৰ মনেৰে মতাই অনালে; কিন্তু তেওঁ শ্ৰীধৰক ধনগুপ্তই দিয়াতকৈ কম দৰমহা দিব খোজাত শ্ৰীধৰে তাত কাম নল'লে।

তাৰ পাছত শ্ৰীধৰ গ'ল কামাক্ষীপুৰৰ চন্দ্ৰগুপ্তৰ ওচৰলৈ। জহৰী চন্দ্ৰগুপ্তই শ্ৰীধৰক নানান পটলে সোধ-পোছ কৰি, তুষ্ট হৈ, তাক কামত ল'ব বুলি কথা দিলে আৰু কেইদিনমানৰ পাছত শ্ৰীধৰক পুনৰ আহিবলৈ ক'লে।

আৰু চন্দ্ৰগুপ্তয়ো জহৰী অনন্তগুপ্তৰ দৰে ধনগুপ্তক শ্ৰীধৰৰ সম্পৰ্কে সুধিলেগৈ।

ধনগুপ্তই শ্ৰীধৰৰ কাম-কাজৰ শলাগ

'নবকুমাৰ'

লৈ পৰিশেষত চন্দ্ৰগুপ্তক ক'লে, "শ্ৰীধৰ অতি ধৈৰ্য্যশীল আৰু বুদ্ধিমান আৰু লগতে দূৰদৃষ্টিসম্পন্ন। সি মন কৰিলেই মণি-মুকুতাৰ কাৰবাৰ কৰিব পাৰিব।"

পাছদিনাই জহৰী চন্দ্ৰগুপ্তই শ্ৰীধৰক মতাই অনাই চাকৰিত যোগ দিবলৈ ক'লে। দৰমহাৰ কথা সোধাত—ধনগুপ্তই দিয়াতকৈ মাত্ৰ চাৰিটা মুদ্ৰা অধিককৈ দিব বুলি চন্দ্ৰগুপ্তই শ্ৰীধৰক কোৱাত শ্ৰীধৰ চাকৰি ল'বলৈ মান্তি নহ'ল।

বাৰ বাৰ তিনিবাৰ বোলা কথা এষাৰ আছে। শ্ৰীধৰেও এই কথাষাৰ সাৰোগত কৰি তৃতীয়বাৰলৈ আন এটা চেষ্টা দিলে হৰিপুৰীয়া জহৰী বিকাশদত্তৰ ওচৰত। বিকাশদত্তয়ো বিভিন্ন প্ৰশ্ন কৰি শ্ৰীধৰক পাছদিনা পুনৰ আহিবলৈ ক'লে আৰু শ্ৰীধৰৰ খা-খবৰ ল'বলৈ তেতিয়াই জহৰী ধনগুপ্তৰ ওচৰলৈ গ'ল।

এইবাৰ কিন্তু ধনগুপ্তই শ্ৰীধৰৰ সম্পৰ্কে বিকাশদত্তক ক'লে, "শ্ৰীধৰ হ'ল এটা ধোদৰ পচলা। আৰু সি প্ৰায়েই প্ৰায়বোৰ কথা পাহৰি থাকে। তাৰ কাৰণে মোৰ কাৰবাৰৰ কিমান যে লোকচান হ'ল তাৰ লেখ-জোখ দিব নোৱাৰিম। পিছে—সি বহুদিনৰপৰা আছে, আৰু—কামৰ মানুহ পোৱাও টান বুলিহে—আছে আৰু। এইবোৰ কথা মই কাকো নকওঁ। আপুনি তাৰ বিষয়ে খৰচি মাৰি জানিব খুজিছে বুলিহে—ক'লোঁ আৰু আজি মোৰ মনৰ কথা।"

"কৈ মোৰ বৰ উপকাৰ কৰিলে দিয়ক।" এই বুলি কৈ বিকাশদত্ত গ'লগৈ।

ধনগুপ্তই বিকাশদত্তক কোৱা কথা-খিনি কাষৰীয়া কোঠাটোত থাকি শ্ৰীধৰে কাণসৰালি মাৰি শুনিছিল। বিকাশদত্ত গুচি যোৱাৰ পাছত শ্ৰীধৰে ধনগুপ্তক ক'লেহি, "আপুনি দত্তজহৰীৰ ওচৰত মোৰ ইমান নিন্দা কৰিলে কিয় নুবুজিলোঁ। মই যদি এটা বেছি দৰ্মহাৰ কাম পাওঁ

আপোনাৰনো কিহৰ লোকচান ?"

ধনগুপ্তই শ্ৰীধৰৰ পিঠিত লাহেকৈ থপৰিয়াই ক'লে. "ইয়াৰ আগতেও তুমি আন দুজন জহৰীৰ কাম চাপিছিলা চাকৰি বিচাৰি। তেওঁলোকে মোতকৈ অধিক দৰমহা দিব খোজা নাছিল। তোমাক কোনে কিমান দৰমহা দিব খুজিছিল মই জানো। পিছে—এই কথা ঠিক যে বিকাশদত্তই তোমাক মোতকৈ ভালেখিনি অধিক দৰমহা দিলেহেঁতেন।"

"তথাপি মোৰ নিন্দা কিয় কৰিলে ? উচিত কাম কৰিলেনে ? এইদৰে হাচটি বজাই শিপা কাটি কি লাভ হ'লনো আপোনাৰ ?" শ্ৰীধৰে ক্ষুব্ধভাৱে ক'লে।

ধনগুপ্তই ক্ষুব্ধ শ্ৰীধৰক শান্ত কণ্ঠেৰে ক'লে, "চোৱাঁ শ্ৰীধৰ, তুমি আমাৰ কাম লোৱাৰেপৰা যেনেকৈ আমাৰ উপকাৰ কৰিছা, ময়ো তোমাৰ মংগল কামনা কৰিছোঁ। মই তোমাৰ দৰমহা অলপ বঢ়াই দিলেও তোমাৰ উপকাৰ নহ'লহেঁতেন, তোমাৰ দাৰিদ্ৰ্য নুগুচিলহেঁতেন। তোমাৰ ইমান দাৰিদ্ৰ্যৰ মাজত তুমি একো সাঁচিব নোৱাৰিলাহেঁতেন। অথচ—তোমাৰ ছোৱালীজনী ডাঙৰ হ'ল, তাইকো বিয়া দিব লাগিব দুই-চাৰি বছৰৰ মাজত —এইবোৰ কথা ভাবি ভাবি মই তোমাৰ দৰমহা নবঢ়াই তোমাৰ নামত অলপ টকা সাঁচি থওঁ। এই মাহৰপৰা তামাৰ দৰমহা ময়ো বঢ়াম, বিকাশদত্তই দিব খোজাখিনি ময়ো দিম। হ'বনে ?"

শ্ৰীধৰ লাজতে তলমূৰ হ'ল। ইমান দিন ধৰি তাৰ পুৰণা গৰাকীক জলা-কলা কৰাৰ বাবে অনুতপ্ত হ'ল সি। জহৰী হিচাপে ধনগুপ্ত আছিল অনন্তগুপ্ত, চন্দ্ৰগুপ্ত আৰু বিকাশদত্তৰ তুলনাত সৰু, কাৰবাৰী হিচাপেও সৰু। কিন্তু শ্ৰীধৰে এইটি কথা পৰিষ্কাৰভাৱে উপলব্ধি কৰিব পৰা হ'ল যে—ফটা কঁথাতো সোণ থাকে।

স্বৰ্ণ-উপত্যকা

২

স্বৰ্ণ-উপত্যকাত হোৱা প্ৰচণ্ড ভূমিকম্পৰ ফলত নতুন ৰাজপ্ৰাসাদ চূৰ্ণ-বিচূৰ্ণ হৈ পৰিছিল। ৰাজপ্ৰাসাদ চূৰ্ণ-বিচূৰ্ণ হোৱাত ৰাজপ্ৰাসাদৰ প্ৰধান নিৰ্মাতাৰ নাতিয়েক বিনন্দক ৰজাই কাৰাগাৰত বন্দী কৰাৰ আদেশ দিলে। এই বাতৰি পায়েই বিনন্দই অৰণ্যত আত্মগোপন কৰিলে আৰু সেই অৰণ্যৰ এটা গুহাৰ ভিতৰত বিচাৰি পালে এক সোণৰ নাৰী.মূৰ্তি আৰু শুনিবলৈ পালে দৈৱবাণী। বিনন্দ বিভ্ৰান্ত হৈ পৰিল। আৰু তাৰ পাছত......

নিজৰাৰ পিছফালে থকা গুহাৰ ভিতৰ সোমোৱাৰ লগে লগেই বিনন্দই তাৰ ইচ্ছামতে বৰ খুজি লোৱাৰ নিৰ্দেশ শুনি আনন্দিত হ'ল। এই নিৰ্দেশ সঁচা বুলি সি অতি সহজ মনেৰে ভাবিলে।

এই সোণৰ নাৰীমূৰ্তি সুৰক্ষিত ৰাখিব লাগিব বুলি তাৰ দৃঢ় ধাৰণা হ'ল। কিন্তু লগে লগে এই কথাটোও উপলব্ধি কৰাত তাৰ পলম নহ'ল যে একমাত্ৰ দেশৰ ৰজাইহে এই নাৰীমূৰ্তিক যথাযথভাৱে

মনোজ দাস

কিৰণ তেওঁৰ গাত পৰিলেহে তেওঁ শয্যা-ত্যাগ কৰিব।" ৰাজকৰ্মচাৰীয়ে ক'লে।

কিন্তু সিহঁতৰ কথালৈ আওকাণ কৰিয়েই বিনন্দ ৰজাৰ সেই শয়নকক্ষলৈ সোমাবলৈ খৰকৈ আগুৱাই গ'ল। আৰু লগে লগে প্ৰহৰীহঁত গৰ্জি উঠিল, "ৰ'বা!"

কিন্তু পাছ মুহূৰ্ততে প্ৰহৰীহঁত বিনন্দৰ চকুলৈ চাই অতি যেনিবা ভয়াতুৰ হৈ পৰিল। সিহঁতে এই ভীতিৰ হেতু বুজিব নোৱাৰিলে। সিহঁতে ভয়ে ভয়ে বিনন্দক বাট এৰি দিলে।

সিহঁতে যে গৰ্জি উঠিও কিয় বাট এৰি দিলে সেই ৰহস্যময় বিনন্দয়ো বুজি নোপোৱা হ'ল। বিনন্দ বিস্মিত হ'ল। তিমানতে ৰজাৰ গাত এচেৰেঙা বেলিৰ পোহৰ পৰিলহি।

ৰজাৰ শয়নকক্ষৰ ওচৰত থিয় হৈ বিনন্দই চিঞৰি চিঞৰি ক'লে, "মহাৰাজ, মহাৰাজ, উঠক—উঠক, এতিয়াই উঠক। আপোনাক শুভ সম্বাদ এটা দিম।"

বিনন্দৰ চিঞৰ শুনি ৰজাই বিছনাৰ ওপৰত বহি খিৰিকীয়েদি বাহিৰলৈ চালে। খিৰিকীয়েদি চাই তাত বিনন্দক দেখা পাই ৰজাই গৰ্জি উঠি ক'লে, "তাত কোন থিয় হৈ আছে? তাক এতিয়াই ভিতৰলৈ পঠাই দিয়া।"

ৰক্ষণাৰেক্ষণ কৰিব পাৰিব।

তিমানতে ৰাতি পুৱাল। বিনন্দই পুনৰ এবাৰ সোণৰ নাৰীমূৰ্তিলৈ চালে। নাৰীমূৰ্তিৰ চকুযুৰিত আনন্দৰ আভাস জিলিকি উঠা যেন লাগিল তাৰ।

বিনন্দ ৰাজপ্ৰাসাদলৈ বুলি ৰাওনা হ'ল। ৰজাৰ কৰ্মচাৰী কিছুমানে শিঙা বজাই দিনৰ আৰম্ভণিৰ ঘোষণা কৰিলে। বিনন্দই সিহঁতক ক'লেগৈ, "মোক এতিয়াই মহাৰাজৰ ওচৰলৈ লৈ ব'লা।"

"আপুনিনো কোন? মহাৰাজে এতিয়ালৈকো শয্যাত্যাগ কৰা নাই। তেওঁৰ শয়ন কক্ষৰ খিৰিকীয়েদি বেলিৰ



এই কথা শুনামাত্ৰেই বিনন্দ ৰজাৰ শয়নকক্ষলৈ সোমাই গ'ল।

তাৰ পাছত—ৰজা আৰু বিনন্দৰ মাজত কি কথা হ'ল—কোনেও তাৰ ফুট-ফাট নাপালে। কিন্তু বিনন্দৰ কথা শুনিয়েই যে মহাৰাজ খৰধৰকৈ ওলাই গ'ল, সেই কথা সকলোটিয়েই বুজি পালে আৰু বিনন্দৰ এনে মৰসাহ দেখি ৰজাৰ প্ৰহৰী, সেনাপতি, আনকি মন্ত্ৰীবৰ্গয়ো অবাক মানিলে।

এই সম্বাদ শুনিয়েই এগৰাকী মন্ত্ৰীয়ে ৰজাক ক'লেহি, "কিন্তু হে চণ্ডমাৰ্তণ্ড মহাৰাজ......।" কিন্তু ৰজাৰ চকু-মুখত বিৰক্তিৰ সুস্পষ্ট চিন ফুটি উঠাত মন্ত্ৰীয়ে বৈ দিলে।

ৰজাই মন্ত্ৰীগৰাকীকো গম্ভীৰ কণ্ঠেৰে ক'লে, "একেবাৰে ৰাই-কুই নকৰি মোৰ পিছে পিছে আহে যদি আহি থাকক, নাহিলে নাই।"

ৰজাই তেওঁৰ অশ্বটোকো নল'লে। তেওঁ বিনন্দৰ পিছে পিছে গৈ থাকিল।

বিনন্দই ৰজাক ক'লে, "মহাৰাজ, আপুনি মাজে-মধ্যে অৰণ্যলৈ নাযায় কিয়।"

"তুমি দেখোন একদম সৰু ল'ৰা এটাৰ দৰে কৈছা। মই কিয় অৰণ্যলৈ যামহে? ৰজাই ৰাজপ্ৰাসাদত থাকি ৰাজ্য শাসন কৰিবনে অৰণ্যত অনাই-বনাই ফুৰিব কোৱাচোন?" মহাৰাজে বিনন্দক বিৰক্তিৰে সুধিলে।

"গছৰ ছাঁৰ মাজেদি, নিজৰাৰ কলতানৰ কাষেদি খোজ লোৱাত কিমান যে আনন্দ! এইবোৰ ঠাইত স্বাধীনভাৱে ঘূৰি-ফুৰি কোনেনো ভাল নাপায়?" বিনন্দই নিজেকে কোৱাদি ক'লে।

"স্বাধীনভাৱে—?" ৰজাই বিনন্দক ক'লে, "মই যিকোনো মানুহৰ স্বাধীনতা কাঢ়ি ল'ব পাৰোঁ। তাতকৈ ডাঙৰ স্বাধীনতা আৰুনো কি আছে? বাৰু, কথা এটা সোধোঁ। তুমি মোক এনে

অটব্য অৰণ্যলৈ লৈ আহিলা কিয় ?”

“মহাৰাজ ! অৰণ্যলৈ নাহিলে মই দেখাখিনি আপুনি কেনেকৈ দেখা পাব ? মই শুনাখিনি কেনেকৈ শুনিব ? মই এই অৰণ্যতে এটা গুহাৰ ভিতৰত এক ভপূৰ্ব সোণৰ নাৰীমূৰ্তি দেখা পাইছোঁ। সেই গুহাত মই দৈৱবাণী শুনিছোঁ।” এই বুলি কৈ বিনন্দই ৰজাক সোণৰ নাৰীমূৰ্তিলৈ চাবলৈ ক'লে।

বিনন্দই যিফালে চাবলৈ ক'লে সেই-ফাললৈ চাই, একো দেখা নাপাই, ৰজাই গম্ভীৰ কণ্ঠেৰে বিনন্দক ক'লে, “তুমি মোৰ লগত ৰসিকতা কৰিছানে কি ? তুমি মোক যিপিনে চাবলৈ কৈছা, সেই-পিনে দেখোন কেৱল পাথৰ আৰু পাথৰ —দ'মে দ'মে পাথৰ দেখা পাইছোঁ।”

এই কথা শুনি অতিপাত আচৰিত হৈ বিনন্দই ৰজাক ক'লে, “হে চণ্ডমাৰ্তণ্ড মহাৰাজ ! যি সোণৰ নাৰীমূৰ্তি সূৰুযৰ পোহৰৰ দৰে জলমলাইছে, আপুনি সঁচাকৈয়েই সেই মূৰ্তি দেখা পোৱা নাইনে ? আপোনাৰ কথা শুনি মই অবাক মানিছোঁ, মহাৰাজ !”

“মই সঁচাকৈয়েই পাথৰ বিনে আন একোৱেই দেখা পোৱা নাই।” ৰজাই ক্ষুব্ধভাৱে ক'লে।

“কিয় এনেকুৱা হ'ল, মহাৰাজ ?” বিনন্দই ৰজাক সুধিলে।

“কিয়নো য'ত সোণৰ নাৰীমূৰ্তি থকা বুলি তুমি কৈছা, তাতে চটাচটে পাথৰৰ বাহিৰে আন একো নাই। তুমি অবাৱতে মোক হৈ-চৈ কৰি টোপনিৰপৰা জগালা, হাবিলৈ টানি আনিলা। মই তেতিয়া এটা ধুনীয়া সপোন দেখি আছিলোঁ, মোক দৰাৰ বেশত সজোৱা হৈছিল। যি কি নহওক, এতিয়া মই তোমাক মৃত্যুদণ্ড দিম।” ৰজাই বিনন্দক ক'লে।

বিনন্দই অলপো ভয় নাখাই ৰজাক ক'লে, “আপুনি জীৱনত বহু বাৰ দৰাৰ

ভাও দিছে। আৰু আপুনি বহু মানুহক মাৰিও পেলাইছে।"

ৰজাই গোৰোহনি মাৰি ক'লে, "মনে মনে থাকাঁ! তুমি মোক এনেকৈ বিছনাৰ-পৰা নমাই আনিলা যে মই দুই ভৰিত দুবিধৰ জোতা পিন্ধি গুচি আহিছোঁ। প্ৰতিদিন টোপনিৰপৰা জাগি প্ৰথমেই মই মোচকোচা ফণিয়াওঁ, আজি খৰখেদাত পাহৰি থাকিলোঁ। কিয় এনে হ'ল? কিয় এনে লণ্ডভণ্ড কাণ্ড কৰিলা?"

ৰজাই ইমানকৈ চিঞৰি চিঞৰি কথাবোৰ কৈছিল যে অৰণ্যত থকা শিয়ালবিলাকে হোৱা দি উঠিল। আৰু শিয়ালবোৰৰ হোৱা শুনি অৰণ্যৰ অন্যান্য জীৱ-জন্তুও চিঞৰি উঠিল। মুহূর্তৰ ভিতৰত অৰণ্যত যেনিবা উখল-মাখল লাগি গ'ল।

আৰু লগে লগে—ৰজাৰ কিবা বিপদ হোৱা বুলি ভাবি—মূঢ়া আমৰ দুত্ যেন হৈ বৈ থকা মন্ত্ৰী আৰু আন চাৰিজনে যেটিসাপৰ মূৰ ছিঙা লৰ দি হেঁপাই-ফোঁপাই ৰজাৰ ওচৰ পালেহি।

ৰজাই মন্ত্ৰীবৰ্গলৈ ককৰ্থনাৰ দৃষ্টিৰে চাওঁতেই ৰাজসভাৰ জ্ঞানী পণ্ডিত এগৰাকীয়ে কৈ উঠিল, "মহাৰাজ—!"

আন এগৰাকীয়ে চিঁচিঁয়াই কৈ উঠিল, "হে চণ্ডমার্তণ্ড মহাৰাজ!"

মন্ত্ৰীৰে সৈতে আন যি চাৰিজন লৰৰি আহিছিল, ঘটনা কি হ'ল, তেওঁলোকেও ঠাৱৰ কৰিব নোৱাৰিলে। বিনন্দহেন সৰু ল'ৰা এটাৰ কথাত মহাৰাজ যে কিয় অৰণ্যলৈ আহিল, তেওঁলোকে তাৰো ফুট-ফাট নাপালে।

আৰু তেওঁলোকে এনেবোৰ কথা লৈ গুণা-গঁথা কৰি থাকোঁতেই ৰজাই হাঁচিলে ৰজাৰ হাঁচিৰ প্ৰচণ্ড আৱাও শুনি তেওঁলোক হাত-ঠেং এৰি পৰোঁ প্ৰৰোঁ হ'ল।

ৰজাই এওঁলোকলৈ ঘোপাকৈ চাই ক'লে, "যিকোনো অট্টালিকাৰ ভগ্নাৱশেষ হ'ল এক জটিল সাঁথৰ। আৰু এই

অচিনাকি ল'ৰাটোৰ ধূৰ্ত্তামিৰ ফলত মই সেই নুবুজা সাঁথৰৰ মাজত সাঁতুৰি আছোঁ। ইয়াক মৃত্যুদণ্ড দিমেই দিম।"

কিন্তু বিনন্দই তেওঁলোকলৈ চাই শান্ত কণ্ঠেৰে ক'লে. "আপোনালোকে মহাৰাজক কওক যে আপোনালোকে সোণৰ নাৰীমূৰ্তি দেখা পাইছে।"

বিনন্দৰ কথাত আটাইকেইজনেই একেলগে সেই ফাললৈ ঘূৰি চালে। মন্ত্ৰীয়ে বিনন্দক ক'লে, "মই তাত এটা ফেঁচাৰ বাহিৰে একো দেখা পোৱা নাই।"

"সেইটো ফেঁচা নহয়, মকৰাহে। ইমান ডাঙৰ মকৰা মই ইয়াৰ আগতে জীৱনতো দেখা নাই।" বিনন্দই ক'লে।

এগৰাকী ৰাজপণ্ডিতে টপৰাই কৈ উঠিল, "তুমি কালিৰহে ছলি, ময়ো জীৱনত ইমান মস্ত ডাঙৰ মকৰা আগে কেতিয়াও নাই দেখা।"

আন এগৰাকী পণ্ডিতে ক'লে, "কেইবা হাজাৰো বছৰৰ আগতে ভাগি পৰা প্ৰাসাদৰ ভগ্নাৱশেষৰ মাজত এই ল'ৰাটোৱে সোণৰ নাৰীমূৰ্তি দেখা পাইছে! একমাত্ৰ ধুম বলিয়াইহে এনেবোৰ অলা-গতিয়াল কথা কব পাৰে।" তেওঁৰ কথাত আনসকলে হয়ভৰ দিলে।

ইমান সময় ধৰি বেৰেৰিবাংবোৰ শুনি শুনি বিৰক্ত হৈ ৰজাই ক'লে, "যত কূটৰ মাধ ছোক্‌ৰাটোক পাহাৰৰপৰা তললৈ দলিয়াই পেলোৱা।"

ৰজাৰ কথা শুনি বিনন্দই দৌৰি পলাবলৈ ধৰোঁতেই ৰজাই তাৰ সোঁ হাতত থাপ মাৰি ধৰিলে, মন্ত্ৰীয়ে ধৰিলেহি বাঁওহাতখন, আৰু বাকীবোৰে বিনন্দৰ ডিঙিত, ভৰিত ধৰি তাক টানি-চুঁচৰি পাহাৰৰ ওপৰলৈ লৈ যাবলৈ ধৰিলে।

ঠিক তেতিয়াই, সোণৰ নাৰীমূৰ্তি য'ত আছিল, তাৰপৰা সুমধুৰ সংগীত ভাহি আহিল। এগৰাকী পণ্ডিতে কৈ উঠিল, "বৰ অস্বাভাৱিক কাণ্ড!" এই

Jaya

বুলি কৈ, তেওঁক বিনন্দক এৰি দিলে।

ৰজাই গোৰগোৰাই কৈ উঠিল, "সেই সংগীতৰ কথা পহিলতে ময়েই কৈছিলোঁ। অহহঃ! কেনে মৌমিঠা সংগীত!"

আৰু এই সংগীত যেতিয়া শেষ হ'ল, তেতিয়া হঠাৎ সকলোটিয়েই একেলগে বিনন্দক এৰি দিলে। পণ্ডিতবৰ্গৰ মাজত এগৰাকীয়ে কৈ উঠিল, "হে চণ্ডমাৰ্তণ্ড মহাৰাজ! এই সোণৰ নাৰীমূৰ্তিক একমাত্ৰ ৰামধনুৰ সৈতেহে ৰিজাব পাৰি।"

তেতিয়া ৰজায়ো চঁক খাই উঠি বিনন্দৰ হাতখন এৰি দি ক'লে, "হেৰ ছোক্‌ৰা, তইহেনে ইমান অপৰূপ সোণৰ মূৰ্তি মোক দেখুৱালি! তোক স্পৰ্শ কৰিলোঁ বুলিহে মই এনে অপূৰ্ব সোণৰ মূৰ্তি দেখা পালোঁ। তই প্ৰকৃততেই এটা ভালৰো ভাল কাম কৰিলি। মই তোক হিয়া উজাৰি আশীৰ্বাদ কৰিছোঁ। তই যে মোক টোপনিৰপৰা জগাই ইয়ালৈ লৈ আহিছ, তাৰ বাবে তোৰ শলাগ নলৈ নোৱাৰিছোঁ।" এই বুলি কৈ, ৰজাই বিনন্দক বুকুত আঁকোৱালি ল'লে।

বিনন্দই আনন্দিত মনেৰে ক'লে, "হে চণ্ডমাৰ্তণ্ড মহাৰাজ! এই সোণৰ প্ৰতিমা দেখামাত্ৰেই আপুনি যে কিমান সৌন্দৰ্য্য লাভ কৰিছে, কিমান উজ্জ্বলতা প্ৰাপ্ত হৈছে, সেই কথা আপুনি কল্পনাও কৰিব পৰা নাই।"

"হয়নে কি! ক'তা, মোক মোৰ দাপোণখন দিয়াচোন চাওঁ। —মোৰ দাপোণখন কোনেও নানিলাইনে কি? যোৱা, লৰৰি যোৱা, মোৰ দাপোণখন লৈ আহাঁগৈ।" ৰজাই ক'লে।

কিন্তু ৰজাৰ কথা যেনিবা কাৰো কাণতে নোসোমাল। তেওঁলোকে তেতিয়া তন্ময়তাৰে সেই অপৰূপ সোণৰ প্ৰতিমালৈ অপলক মুগ্ধ দৃষ্টিৰে চাই আছিল...... চায়েই আছিল........। [অহা সংখ্যাত

কৰ্তব্য

প্ৰতিজ্ঞাবদ্ধ ৰজা বিক্ৰমাদিত্য পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গ'ল আৰু গছৰ ডালত ওলমি থকা শ'টো নমাই আনি, কান্ধত পেলাই লৈ নীৰৱে-নিমাতে মৰিশালিলৈ বুলি গৈ থাকিল। তেতিয়া শ'ৰ মাজত থকা বেতালে কৈ উঠিল, "হে ৰজা, মোৰ কথা শুনা কেতিয়াবা কেতিয়াবা কৰ্তব্যবোধত বন্ধু-হঁতৰ মাজতো বিৰোধে দেখা দিয়ে। আনকি নিজৰ পিতৃৰ বিৰুদ্ধেও কৰ্তব্য কৰ্ম কৰিব লাগে। মোৰ কথা যে কিমান-খিনি সত্য, এজনী ছোৱালীৰ কাহিনী শুনিলেই বুজি পাবা। এই কাহিনী শুনি শুনি গৈ থাকিলে আন একো লাভ নহ'লেও তোমাৰ পথশ্ৰম নিশ্চয়েই কথঞ্চিত লাঘৱ হ'ব।" এই বুলি কৈ, বেতালে সেই কাহিনী ক'বলৈ ধৰিলে ঃ

'বেতাল-কথা'

বিষ্ণুগোপ আছিল চন্দ্ৰগিৰিৰ ৰজা। তেওঁৰ পুত্ৰৰ নাম আছিল ৰামগোপ। বিষ্ণুগোপ বৃদ্ধ হোৱাৰ পাছত ৰামগোপক সিংহাসনত অধিষ্ঠিত কৰিলে।

ৰামগোপ আছিল অতি শিক্ষিত তথা গুণৱান। এবাৰ ৰামগোপ চিকাৰলৈ ওলাল আৰু অৰণ্যৰ মাজেদি গৈ গৈ নিজ ৰাজ্যৰ সীমান্ত পালেগৈ।

সীমান্তৰ ধ্ৰিতোপন দৃশ্যলৈ চাই চাই ৰামগোপ ৰজাই ভাবি থাকিল ঃ এনেহেন মনোমোহা ঠাইটুকুৰা মোৰেই ৰাজ্যৰ ভিতৰুৱা হয়নে? যদি নহয়, তেনেহ'লে নিশ্চয় এইটুকুৰা ঠাই চুবুৰীয়া নাগপুৰ ৰাজ্যৰ হ'ব। কিন্তু—এনেহেন বিতোপন ঠাই টুকুৰা—মোক যেনেতেনে লাগেই।

আৰু কেইদিনমানৰ পাছত ৰজা ৰামগোপে নাগপুৰ ৰাজ্যৰ সেই ঠাইটুকুৰা অধিকাৰ কৰাৰ মনেৰে সসৈন্য আগবাঢ়িল। অতৰ্কিতে আক্ৰান্ত হৈ নাগপুৰৰ ৰজা পৰাজিত হ'ল। এই ঠাইটুকুৰা অধিকাৰ কৰিব পাৰি ৰজা ৰামগোপ অতিশয় আনন্দিত হ'ল।

ইপিনে নাগপুৰৰ ৰজা শশীনাগে তেওঁৰ পৰাজয়ৰ প্ৰতিশোধ লোৱাৰ বাবে মন্ত্ৰীবৰ্গৰ সৈতে মন্ত্ৰণাত বহিল।

মন্ত্ৰীবৰ্গই ৰজাক ক'লে, "মহাৰাজ চন্দ্ৰগিৰিৰ ৰজা ৰামগোপৰ বিৰুদ্ধে এতিয়াই একো ব্যৱস্থা গ্ৰহণ কৰিব পৰা নহ'ব। কিয়নো— চন্দ্ৰগিৰিৰ সৈন্যহঁত সম্পূৰ্ণ সতৰ্ক তথা সজ্জিত। আমাৰ সৈন্য সংখ্যা বৃদ্ধি নকৰালৈকে প্ৰতি আক্ৰমণ নিষ্ফল হ'ব। ৰজা শশীনাগে সৈন্যসংখ্যা বৃদ্ধি কৰিবলৈ মন্ত্ৰীবৰ্গক ক'লে।

নাগপুৰৰৰাজ শশীনাগৰ এজনী মাথোন ছোৱালী আছিল। এদিন ৰাজ-জ্যোতিষীয়ে ৰজাক ক'লে যে ৰাজকুঁৱৰী অৱন্তীৰ বিবাহ এই এইবছৰতে পাতিব পৰা হ'লে সেই বিবাহ ৰাজকুঁৱৰীৰ পক্ষে মংগলদায়ক হ'ব। প্ৰথা অনুযায়ী এই

রাজবংশৰ বিবাহ স্বয়ম্বৰ হ'ব লাগিব।

জীয়েকৰ বিবাহৰ বাবে ৰজা শশীনাগে স্বয়ম্বৰ সভাৰ আয়োজন কৰিলে। নিজৰ দেশত, আন আন দেশলৈকো আমন্ত্ৰণপত্ৰ পঠোৱা হ'ল। আমন্ত্ৰণ-পত্ৰৰ তালিকা চাই ৰজা শশীনাগে ক'লে, "চন্দ্ৰগিৰিৰ ৰজা ৰামগোপলৈকো আমন্ত্ৰণ-পত্ৰ পঠোৱা। তালিকাত তেওঁৰ নাম নাই দেখোন।"

ৰজা শশীনাগৰ কথা শুনি সকলো অবাক হ'ল। তেওঁলোকে তৎমুহূৰ্তেই ৰজা ৰামগোপলৈ আমন্ত্ৰণ-পত্ৰ পঠালে।

আৰু স্বয়ম্বৰৰ দিনা, অন্যান্য দেশৰ ৰাজকোঁৱৰৰ লগে লগে চন্দ্ৰগিৰিৰ ৰজা ৰামগোপো নাগপুৰলৈ আহিল। ৰজা ৰামগোপক দেখা পাই সকলোটি বিস্মিত হ'ল।

নিৰ্দিষ্ট সময়ত, সুদৃশ্য সুগন্ধিত মালা এধাৰ হাতত লৈ, ৰাজকুঁৱৰী অৱন্তী স্বয়ম্বৰ সভালৈ আহিল। ৰাজকুঁৱৰীৰ লগত আছিল তেওঁৰ শ্ৰেষ্ঠ সখিয়েক। এইজনীয়ে ৰাজকুঁৱৰীক প্ৰতিখন দেশৰ ৰাজকোঁৱৰসকলৰ বিবৰণ বিবৰি আছিল, আৰু ৰাজকুঁৱৰীয়ে মনোযোগেৰে শুনি আছিল। সদৌশেষত সখিয়েক ৰাজকুঁৱৰী অৱন্তীক ৰামগোপৰ কথা ক'লে, আৰু ৰাজকুঁৱৰী অৱন্তীয়ে চন্দ্ৰগিৰিৰ শত্ৰু ৰজা ৰামগোপৰ ডিঙিত মালা পিন্ধাই দিলে!

এই অভাৱিত দৃশ্য দেখি স্বয়ম্বৰ সভাত উপস্থিত থকা সকলো হতবাক হ'ল। বহুতো পৰলৈকে কোনেও কোনো কথা নক'লে। বহুতেই ভাবি থাকিল যে ৰাজকুঁৱৰী অৱন্তী নিশ্চয় বিকৃতমস্তিষ্ক। নহ'লে—যিজন ৰজাই কেইবছৰমানৰ আগতে নাগপুৰ ৰাজ্য অন্যায়ভাৱে আক্ৰমণ কৰি অধিকাৰ কৰিছিল, সেইজন ৰজাকে পতিৰূপে বৰণ কৰি লয়নে?

কিন্তু ৰজা শশীনাগে কথাটো এনে ধৰণে নলৈ, কোনো প্ৰকাৰৰ দ্বিধা নকৰাকৈ, পৰিপূৰ্ণ মৰ্য্যাদাৰে ৰজা ৰামগোপক জোঁৱায়েক হিচাপে গ্ৰহণ কৰিলে।

এই ঘটনাৰ ছমাহৰ অন্তত নাগপুৰৰ ৰজা শশীনাগে তেওঁৰ মন্ত্ৰীসকল সুধিলে, "আমাৰ সৈন্য-সংখ্যা আৰশ্যকনুযায়ী বাঢ়িলনে এতিয়া ?"

মন্ত্ৰীবৰ্গৰ মাজত এগৰাকীয়ে অবাক হৈ প্ৰশ্ন কৰিলে, "এতিয়া আৰু সৈন্য সংখ্যা বঢ়োৱাৰ প্ৰয়োজন কি, মহাৰাজ ?"

"যি প্ৰয়োজনত সৈন্য-সংখ্যা বৃদ্ধি কৰিবলৈ কৈছিলো, সেই প্ৰয়োজন পূৰ্ণ হৈ গ'লনে ? চন্দ্ৰগিৰিৰ ৰজাৰপৰা অবিলম্বে আমাৰ অধিকৃত হৈ যোৱা ঠাইডোখৰ পুনৰাধিকাৰ কৰিব লাগিব।" ৰজা শশীনাগে ক'লে।

মন্ত্ৰীবৰ্গই ৰজাৰ কথাত একো প্ৰত্যুত্তৰ নকৰিলে আৰু তেওঁলোকৰ নিৰ্দেশক্ৰমে সৈন্যবাহিনীৰ সেনাপতিহঁতে অসংখ্য সৈন্য প্ৰস্তুত কৰি তুলিলে।

চোৰাংচোৱাহঁতৰ হতুৱা এই বাতৰি জানিব পাৰি চন্দ্ৰপুৰৰ ৰজা ৰামগোপে তেওঁৰ শহুৰেক শশীনাগলৈ বাতৰি পঠালে যে সেই দখলীকৃত ঠাইৰপৰা তেওঁ তেওঁৰ সৈন্য আঁতৰাই নিছে। এতিয়াৰপৰা সেই ঠাইডোখৰ পুনৰ নাগপুৰ ৰাজ্যৰ হ'ল।

এই বাতৰি পাই ৰজা শশীনাগ অতি আনন্দিত হ'ল আৰু নিজ দেশৰ হেৰোৱা অঞ্চল ওভোতাই পোৱাত ৰজাৰ সৈতে প্ৰজাবৰ্গও আনন্দৰ জোৱাৰত উঠিল। দেশৰ প্ৰজাবৰ্গই এই উপলক্ষ্যে



ধুমধামৰে আনন্দোৎসৱ পালন কৰিলে।

এই কাহিনী কোৱাৰ অন্তত বেতালে পুনৰ বিক্ৰমাদিত্যক ক'লে, "হে ৰজা, নাগপুৰৰ ৰজা শশীনাগে তেওঁৰ শক্ৰৰ সৈতে ৰাজকুঁৱৰীৰ বিবাহত সন্মত হৈছিল কিয়? আৰু—অন্যায়ভাৱে আনৰ দেশৰ অধিকাৰ কৰা কোনোবা শত্ৰু ৰজাক পতি ৰূপে বৰণ কৰাটো—ৰাজকুঁৱৰীৰ অৱন্তীৰ পক্ষে উচিত কাৰ্য্য হৈছিলনে? ৰাজকুঁৱৰী অৱন্তীয়ে দেশৰ শত্ৰুক নিজৰো শত্ৰু হিচাপে গণ্য নকৰাৰ হেতু কি? এযা এক বিচিত্ৰ কাণ্ড নাছিলনে? যি কি নহওক, যি হ'বলগা হ'ল। তাৰ পাছতো, ছমাহৰ অন্তত, ৰজা শশীনাগে তেওঁৰ জোঁৱায়েকৰ দেশ আক্ৰমণৰ কৰিবলৈ উদ্যোগী হৈছিল কিয়? আৰু—চোৰাং-চোৱাংতৰ হতুৱা এই গুপুত বাতৰি পায়েই ৰজা ৰামগোপে অধিকৃত ঠাই-ডোখৰ ঘূৰাই দিলে কিয়? ৰজা ৰামগোপে তেওঁৰ শহুৰেকৰ সৈন্য-সংখ্যা চাই ভীত হৈহে অধিকৃত ঠাইডোখৰ ওভোতাই দিছিলনে? মোৰ এইবোৰ প্ৰশ্নৰ উত্তৰ জনা সত্বেও যদি নিদিয়া, তেনেহ'লে তোমাৰ মূৰ ফাটি নিশ্চয় চাৰিফাল হ'ব।"

বেতালৰ এই প্ৰশ্নৰ উত্তৰত ৰজা বিক্ৰমাদিত্যই ক'লে, "স্বয়ম্বৰ সভাৰ কিছুমান স্পষ্ট ৰীতি-নীতি আছে। ৰাজ-কুঁৱৰীয়ে যিজনক ভাল পায়, সেইজনকহে



তেওঁ মালাৰে বৰি লয়। আৰু সেইজনক জোঁৱায়েক হিচাপে আদৰি ল'বলৈ ৰাজকুঁৱৰীৰ অভিভাৱকসকলো বাধ্য হয়। কিয়নো—নহ'লে ৰাজকুঁৱৰীৰ বাছনি অৰ্থহীন হৈ পৰিব। চন্দ্ৰগিৰিৰ ৰজা ৰামগোপক নাগপুৰৰ ৰজা শশীনাগে নিমন্ত্ৰণ কৰিহে আনিছিল। নিমন্ত্ৰিত এগৰাকী মানুহক যদি ৰাজকুঁৱৰীয়ে বৰণ কৰি লয়, তেওঁক জোঁৱায়েক হিচাপে আদৰি নলৈ ৰজাইনো কি কৰিব? এই কাম কৰাত তেওঁ বাধ্য আছিল। আৰু—ৰাজকুঁৱৰী অৰন্তীয়েও কোনো ভুল বা অন্যায় কৰা নাছিল। কিয়নো, ৰজা ৰামগোপক তেওঁৰ পিতৃদেৱেইহে নিমন্ত্ৰণ কৰি আনিছিল। গতিকে — নিমন্ত্ৰিত এগৰাকীক—তেওঁ যেৱেই নহওক—বৰণ কৰাত বাধা নাই বুলিয়েই ৰাজকুঁৱৰী অৰন্তীয়ে ভাবিছিল। ইপিনে—নিজৰ দেশৰ অধিকৃত ঠাই উদ্ধাৰ কৰাটো আছিল ৰজা হিচাপে শশীনাগৰ কৰ্তব্য। নহ'লে প্ৰজাবৰ্গই ৰজাক নিন্দিব। ৰজা এগৰাকীৰ পক্ষে সদায়েই ব্যক্তিগত স্বাৰ্থতকৈ দেশৰ স্বাৰ্থ ডাঙৰ। গতিকে—তেওঁ অধিকৃত অঞ্চল পুনৰুদ্ধাৰ কৰাৰ বাবে প্ৰস্তুতি চলাই সঠিক কামকে কৰিছিল। আৰু—ৰজা ৰামগোপে যে বিনা যুদ্ধে অধিকৃত ঠাইডোখৰ পুনৰ প্ৰত্যৰ্পণ কৰিছিল, তাৰ হেতু হ'ল—ৰামগোপে এই কথা উপলব্ধি কৰিছিল যে ভৱিষ্যতত নাগপুৰৰ ৰজা তেৱেঁই হ'ব, কিয়নো, নাগপুৰ ৰাজ্যৰ ৰজা শশীনাগৰ কোনো পুত্ৰসন্তান নাছিল, তেওঁৰ আছিল একেজনী ছোৱালী। সিহেতুকে তেওঁৰ অহেতুক যুদ্ধ নকৰি, অধিকৃত ঠাইডোখৰ প্ৰত্যৰ্পণ কৰি, যুদ্ধ তথা ৰক্তপাত বন্ধ কৰিছিল।"

বিক্ৰমাদিত্যই এই কথা কোৱাৰ লগে লগেই বেতালে শ'টো লৈ পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গ'ল। [কল্পিত





ফুলনি

কমল হ'ল কিতাপৰ পোক। মনে-খোৱা কিতাপ এখন পালে আন একো মনত নপৰা হয়। কিন্তু কিতাপ পঢ়ি থাকোঁতে কোনোবাই তাক মাতিলে তাৰ খং উঠে, আমনি পায়, যদিও সেই খং বা আমনি সি প্ৰকাশ নকৰে।

এদিন এখন কিতাপ পঢ়ি থাকোঁতে কমলৰ ঘৈণীয়েক কমলাই পাকঘৰৰপৰা চিঞৰি ক'লে, "ল'ৰাটোক অলপ চাবা।"

কমলে তাৰ তিনি বছৰীয়া ল'ৰা অমলৰ আগত কেইটামান পুতলা পেলাই দি পুনৰ কিতাপত মন দিলে।

হঠাৎ আকাশখন ডাৱৰীয়া হৈ পৰিল, ঢেৰেকনিয়ে গাজিলে। আৰু কমলৰ ল'ৰাটোৱে চঁক খাই কান্দি উঠিল।

ল'ৰাটোৱে কন্দা শুনি কমলা পাকঘৰৰপৰা দৌৰি আহিল অমলক কোলাত দাঙি ল'লে. একো ভয় নাই বুলি ক'লে ; কিন্তু অমলৰ কান্দোন বন্ধ নহ'ল।

ধুমুহা-ঢেৰেকনিৰ ফলত ল'ৰাটোৱে ভয় খোৱা দেখি কমলে আকাশখনক বেয়া বুলি ক'লে। কিন্তু কিতাপখন সি এৰা নাছিল।

একোপধ্যে ল'ৰাটোৰ কান্দোন বন্ধ কৰিব নোৱৰাত কমলাই কমলক ক'লে, "তুমি তাক লৈ ওলালেই সি আৰু নকন্দা হ'ব। নহ'লে ৰান্ধোঁগৈ মইনো কেনেকৈ ? তুমি তাক লৈ ওলোৱা।"

নিৰুপায় কমলে বাধ্যত পৰি কিতাপখন থৈ, ল'ৰাটোক লৈ ওলাল। আৰু জপাই ল'ৰাটোৱে কান্দোন বন্ধ কৰি হঠাৎ চিঞৰি কৈ উঠিল, "দে'তা, ফুল—ফুল!"

সুলতা বৰবৰা

কমলে ভাবিলেঃ এই ল'ৰাটোৰে যিফাললৈ চাই 'ফুল' 'ফুল' বুলি কৈছে, সেইফালৰপৰা তাৰ দৃষ্টি আন ফাললৈ ঘূৰাই দিয়া দৰ্কাৰ। কিন্তু লগে লগে কমলে এই কথাটোও ভাবিলেঃ সি কান্দুৰাই ফুল চাই যেতিয়া কান্দোন বন্ধ কৰিলে, ফুলৰ বাহিৰে আন একো নলয় আৰু নকয়। তথাপি কমলে চেষ্টা কৰিও চালে। কিন্তু একোপধ্যে তাৰ মন যেতিয়া ফুলৰপৰা ফিৰাব নোৱৰা হ'ল, তেতিয়া সি তাৰ পত্নী কমলাক ক'লে, "হে—ৰা, আমাৰ মাটিত থকা এইজোপা গছত কেতিয়াও ফুল নুফুলে, আজিনো ইমান ফুল আহিল ক'ৰপৰা ?"

"এই ফুল বিজুলীৰ চিকমিকনি আৰু আকাশৰ ঢেৰেকনি বিনে নুফুলে।" এই বুলি কৈয়েই কমলা পুনৰ পাকঘৰৰ পিনে গুচি গ'ল। কমলে অবাক দৃষ্টিৰে সেই কাহানিও নুফুলা ফুলবিলাকলৈ চাই ৰ'ল। আৰু এই কথাটো ভাবিও কমল অতি বিস্মিত হ'ল যে তাৰ এই নিচেই সৰু ল'ৰাটোৱে ইমান কম বয়সতে এই ফুলৰ প্ৰতি কেনেকৈ আৰু কিয় ইমান আকৃষ্ট হ'ল। কিয় ?

ধুমুহা-বিজুলীৰ চমকনি আৰু ঢেৰেক-নিয়ে গোটেইখন আকাশ পৃথিৱীৰ ৰূপ সলাই দিছিল।

ঢেৰেকনিৰ শব্দত অমলে যেনেকৈ ভয় খাইছিল, ফুললৈ চাই তেনেকৈ আনন্দিত হৈছিল। বিজুলী নথকা হ'লে ফুল নুফুলিলহেঁতেন। ফুল নুফুলা হ'ল আনন্দ নহ'লহেঁতেন। জগৰ বিজুলীৰনে ফুলৰ—কমলে ঠাৱৰ কৰিব নোৱাৰিলে। কাক দুষিব কাক শলাগিব — ভাবি নাপালে। সেই মুহূৰ্তত এই কথাও নাভাবিলে যে ফুলতকৈ কিতাপ মূল্যবান। ফুল চাই তাৰ ল'ৰাটো আনন্দিত হোৱাত কমলৰ মন-ফুলনিও আনন্দিত হ'ল।



আমাৰ দেশৰ বিচিত্ৰ কথা

বিচিত্ৰ কোচিন

ভাৰতৰ ইতিহাসৰ বিভিন্ন ঘটনা-বিজড়িত কেৰল প্ৰদেশৰ কোচিন নগৰ। বিশ্বৰ প্ৰাচীনতম ইহুদী বাসস্থান এই ঠাইত অৱস্থিত। এই ঠাইত অৱস্থিত নীলা আৰু বগা ৰঙৰ খাপৰি ইটাৰে সজোৱা ইহুদী প্ৰাৰ্থনা মন্দিৰ সুপ্ৰাচীন।

ভাস্কো-ডা-গামা কালিকট বন্দৰৰপৰা ইয়ালৈ আহিছিল। এই ঠাইৰ তৎকালীন অধিবাসীসকলৰ ওপৰত ভাস্কো-ডা-গামাই অতিপাত অত্যাচাৰ কৰিছিল।

ইঅ'ৰোপীয়সকলে ভাৰতত এই ঠাইতহে পোন প্ৰথমে গিৰ্জা নিৰ্মাণ কৰিছিল। পৰ্টুগিজসকলৰ শাসনকালত কেথলিক চাৰ্চ [গিৰ্জা], ডাচ-শাসনকালত প্ৰোটেস্টাণ্ট চাৰ্চ আৰু বৃটিছ শাসনকালত এংলিকান চাৰ্চ নিৰ্মিত হৈছিল। এতিয়া এই চাৰ্চ—চাৰ্চ অব্ ছাউথ ইণ্ডিয়াৰ তত্বাৱধান আছে।





১৬শ শতিকাত পৰ্টুগিজসকলে ইয়াত এটি ডাচ-ভৱন নিৰ্মাণ কৰি কোচিনৰ ৰজালৈ উপহাৰ দিছিল। এই ভৱনৰ গাত ৰামায়ণৰ বিভিন্ন ঘটনা চিত্ৰিত।

ছ’ল’মন ৰজাৰ বাণিজ্য-জাহাজত উঠি পোন প্ৰথমতে ইহুদীসকল ইয়ালৈ আহিছিল বুলি কোৱা হয়। তদানীন্তন ৰজাসকলে হেনো ইহুদী লোকসকলক যথেষ্ট সন্মানেৰে আদৰি লৈছিল।



ইহুদীসকলৰ প্ৰাৰ্থনা-মন্দিৰৰ অভ্যন্তৰ-ভাগ যথেষ্ট অলংকৃত। ইজৰাইল ভূখণ্ড সৃষ্টি হোৱাৰ পাছত কোচিনত বস-বাসকাৰী বহু ইহুদী মানুহ ইজৰাইললৈ গুচি গ’ল। তেওঁলোকৰ প্ৰাৰ্থনা গৃহ আজিকোপতি সুন্দৰভাৱে সুৰক্ষিত।

কোচিনত ইহুদী, খ্ৰিষ্টীয়, হিন্দু, মুছলিম সম্প্ৰদায়ৰো প্ৰাৰ্থনা-গৃহসমূহ আছে। সুপ্ৰাচীন কোচিন নগৰ প্ৰচুৰ ঐতিহাসিক ঘটনাৰে সমৃদ্ধ। ভাৰতৰ ঐতিহাসিক ঘটনাৱলীৰ কিবা-নহয়-কিবা চিন কোচিন নগৰত অদ্যাপি পৰিলক্ষিত হয়।

খ্রিষ্টীয় প্ৰথম শতিকাত মালবাৰ দ্বীপ ছেইণ্ট টমাছলৈ উপহাৰস্বৰূপে আগবঢ়াই এজনী ধনীয়া ইহুদী ছোৱালীয়ে তেওঁক আদৰিছিল। তেতিয়াৰ দিনৰ ধৰ্মীয় বিৰোধ আজিৰ দৰে প্ৰকট নাছিল।

সমুদ্ৰবেষ্টিত কোচিনৰ প্ৰাকৃতিক দৃশ্য অপূৰ্ব। ইয়াত এফালে যেনেকৈ অসংখ্য মন্দিৰৰ কাষেদি সমুদ্ৰ প্ৰবাহিত, আনফালে আছে সুন্দৰ সুসজ্জিত কোচিন বন্দৰ। এই বন্দৰো অতি বিতোপন।



কোচিনৰ সাগৰতীৰত এটা বিশেষ বস্তুৱে তথা দৃশ্যই ভ্ৰমণাৰ্থীসকলৰ দৃষ্টি আকৰ্ষণ কৰে। এই বস্তুটি হ'ল মাছধৰা চীনা জাল। এই অঞ্চলৰ অধিবাসীসকলৰ অধিকভাগেই মাছমৰীয়া আৰু তেওঁলোক এই কামত অতি নিপুণ।

পিতৃভক্তি

চীনদেশত এসময়ত টোং নামৰ এজন দুখীয়া যুৱক আছিল। নিচেই সৰুতে তাৰ মাক ঢুকাল, আৰু তাৰ উনৈছ বছৰ বয়সত তাৰ দেউতাকো স্বৰ্গী হ'ল। তাৰ দেউতাকো এটা পা-পইচাও থৈ নোযোৱাত টোং ধনে-জনে অসহায় হৈ পৰিল।

সামাজিক ৰীতি মতে, পিতৃৰ মৃত্যুৰ পাছত পুত্ৰই ক্ৰিয়াকৰ্মাদি কৰাৰ অন্তত সমাধি সাজিব। কিন্তু টোং নিৰুপায়। কিয়নো, তাৰ হাতত ফুটাকড়ি এটাও নাই। তেতিয়া—সি নিজক বিক্ৰি কৰি হ'ব ক্ৰীতদাস বুলি স্থিৰ কৰিলে।

এখিলা ডাঠ কাগজত সি নিজৰ মূল্য লিখি সেই কাগজখিলা ডিঙিত ওলোমাই লৈ ক্ৰীতদাস বেচা-কিনাৰ হাটৰ সোঁমাজত নীৰৱে-নিমাতে থিয় হৈ থাকিল।

কিন্তু টোঙক কিনিবলৈ কোনেও আগ্ৰহী নহ'ল। কিয়নো, সি তাৰ দাম বৰ বেছিকৈ ধাৰ্য্য কৰিছিল। অৱশ্যে—সি জানি-বুজিয়েই বেছিকৈ তাৰ দাম ধাৰ্য্য কৰিছিল। কিয়নো, ভালকৈ পিতৃ-সমাধি বনাবলৈ হ'লে জোখে-জোখাৰে ইউৱান [চীনদেশৰ টকা] লাগিব। কিনোতাই যিমান দামেৰে তাক কিনিব, সেই দাম সি তাৰ জীৱনতো পৰিশোধ কৰিব পাৰিব বুলি সি ভবা নাছিল।

যি হওক, বহুতোপৰলৈকে ৰৈ থকাৰ অন্তত কোনেও তাক কিনিবলৈ নাহিল। হতাশ হৈ টোং যেতিয়া ঘৰলৈ খোজ বঢ়াব, ঠিক তেতিয়াই এজন মানুহে কাগজৰ ওপৰত থকা লিখিখিনি পঢ়িলে।

মানুহজনৰ লগত আন এজন মানুহো আছিল। টোঙক টোঙে বিচৰামতে টকা দি, মানুহজনে এখিলা কাগজত কিবাকিবি লিখি, টোঙক চহী কৰিবলৈ ক'লে।

তেতিয়া টোঙে ভবা মতে কাম হ'ল। সি তাৰ দেউতাকৰ সমাধি সাজিলে। তাৰ পাছত সি ক্ৰীতদাস হিচাপে কাম কৰিবলৈ গ'ল সেই মানুহজনৰ ঘৰলৈ।

ক্ৰীতদাস হিচাপে টোঙে যথেষ্ট পৰিশ্ৰম কৰিবলগীয়া হৈছিল। আনকি ৰাতিৰ পৰতেও ঢেৰ কাম-বন কৰিবলগীয়া হৈছিল। তথাপি, এই কথাটো ভাবি সি ভাল পাইছিল যে যেনেকৈয়েই নহওক সি তাৰ দেউতাকৰ সমাধি সাজিব পাৰিছে।

এবছৰৰ অন্তত টোঙৰ এদিন জ্বৰ উঠিল। জ্বৰৰ কোবত তাৰ দেহাত কঁপনি উঠিল। হঠাৎ এসময়ত সি তাৰ গায়ে-মূৰে কোনোবাজনীয়ে আলফুলে হাত ফুৰোৱা যেন পালে। তাৰ জ্বৰ-দেহা ক্ৰমাত জুৰ পৰি আহিল। সি অলপ বল-শক্তি ঘূৰাই পোৱা হ'ল। টোঙে লাহে লাহে চকু মেলি চালে। আৰু চকু মেলি চায়েই সি তাৰ মূৰ-শিতানত এগৰাকী অপৰূপ সুন্দৰীক থিৰেৰে থিয় হৈ থকা দেখা পালে। কিন্তু 'তুমিনো কোন' বুলি সুধিবলৈকো সি সাহসী নহ'ল।

সুন্দৰীয়ে টোঙক ক'লে, "মই তোমাক কেৱল জ্বৰৰপৰা ভাল কৰিবলৈ অহা নাই, তোমাক মই মোৰ স্বামী হিচাপে বৰণ কৰিম, আমি দুয়ো ঘৰ বান্ধি থাকিম।"

কিন্তু—পৰিবাৰৰ খোৱা-পিন্ধাৰ বন্দৱস্ত কৰাৰ ক্ষমতাও যে তাৰ নাই — সেই কথাটো ক'বলৈ উচপিচ কৰি থাকোঁতেই সুন্দৰীয়ে যেনিবা তাৰ মনৰ কথা উমানতে ধৰিব পাৰি কৈ উঠিল, "ঘৰখন চলোৱাৰ বন্দৱস্তো মই কৰিম।"

টোঙে এই কথাত লাজ পাই নিজৰ ফটা-ছিঙা সাজ-পাৰলৈ চালে। পাছ মুহূৰ্ততে টোঙে সুন্দৰীয়ে পিন্ধা সাজ-

পাৰলৈ চালে। সুন্দৰীৰ সাজ-পাৰো ছিঙা-ফটা। তাৰ পাছত সিহঁত দুয়ো টোঙৰ দেউতাকৰ সমাধিলৈ গৈ বিবাহ-বন্ধনেৰে আবদ্ধ হ'ল।

সিহঁতহালৰ বিবাহ আছিল বিচিত্ৰ। কোনেও কাকো বংশ, গোত্ৰ বা পদবীৰ কথা নুসুধিলে। এই সুন্দৰীৰ নাম আছিল 'চী'। টোঙেও কেৱল নিজৰ নামটোহে নৱ-পৰিণীতা পত্নীক ক'লে।

বিয়াৰ পাছত চী টোঙৰ ঘৰলৈ আহিল, আৰু লগে লগে টোঙৰ ঘৰটো বিভিন্ন লাগতিয়াল বস্তু-বাহানিৰে ভৰি পৰিল। কামলৈ ওলোৱাৰ আগতে সি পেট পূৰাই খাবলৈ পোৱা হ'ল। খেতি-বাতিৰ কামৰপৰা উভতি অহাৰ পাছত সি তপতে-তপত ভাত মুঠি পোৱা হ'ল।

চী-য়ে গোটেই দিনটো ধৰি নানান ধৰণৰ বোৱা-কটা কৰিছিল আৰু সেইবোৰ বিক্ৰি কৰিছিল। চাওঁতে চাওঁতে তাইৰ বোৱা-কটা-বুটাবছা সাজ-পাৰৰ চাহিদা বাঢ়িল। দহো ৰাইজে তাইৰপৰা এই-বোৰ কিনি থাকিল। তাই—'ঘৰখন চলোৱাৰ বন্দৱস্তো মই কৰিম'—বুলি যে কৈছিল, সেই কথা আখৰে আখৰে পালন কৰিবলৈ ধৰিলে। চী-য়ে অলপ অলপকৈ ধনো সাঁচিবলৈ ধৰিলে। এদিন চী-য়ে

ডাঙৰ টেমা এটা খুলি এদ'ম ৰূপৰ মুদ্ৰা দেখুউৱাত টোং অবাক হৈ পৰিল।

তাৰ পাছত চীয়ে টোঙৰ গৰাকীক তাৰ প্ৰাপ্য মুদ্ৰা পৰিশোধ কৰি, এদিন টোঙক দাসত্বৰপৰা মুক্ত কৰি আনিলে। টোঙে আনন্দৰ আবেগত কান্দি থাকিল।

চী-য়ে টোঙক ক'লে, "আমাৰ ঘৰৰ দক্ষিণৰ ফালে অলপ খেতি-মাটি আৰু ফলৰ বাগিচা মই কিনিলোঁ। এতিয়া আৰু আনৰ কাম কৰিব নালাগে, এতিয়াৰ-পৰা নিজৰ কাম নিজে কৰাঁ।"

এই কথা শুনি চী-ৰ ভৰিতসেৱা কৰাৰ মন গ'ল টোঙৰ। কিন্তু চী হ'ল তাৰ

পত্নী। গতিকে সি নিৰস্ত হ'ল।

তেতিয়াৰপৰা টোঙে যি কামতে ধৰিছিল, সফল হৈছিল। টোঙৰ অধীনস্থ মানুহখিনিয়েও টোঙক ভাল পাইছিল।

কেইমাহমানৰ পাছত চী-য়ে আৰু বোৱা-কটা কৰিব নোৱৰা হ'ল। তাৰ পাছত এদিন চী-য়ে এটি পুত্ৰসন্তান প্ৰসৱ কৰিলে। চী-ৰ সন্তানক সেই ঠাইৰ ৰাইজে হিয়াভৰা আশীৰ্বাদ কৰিলে, ক'লে, "তোমাৰ পুত্ৰ স্বয়ং ঈশ্বৰৰ আশীৰ্বাদ। এই পুত্ৰ কমেও এশ বছৰলৈ জীয়াই থাকিব।"

সেই বছৰ—জাৰকলীয়া এনিশা ওৰে নিশা ধৰি চী আৰু টোঙে সিহঁতৰ সন্তানৰ ভৱিষ্যত সম্পৰ্কে আলোচনা কৰিলে। টোঙৰ চকুত চী এতিয়া আগতকৈয়ো ধুনীয়াজনী হৈ উঠিল।

ৰাতিপুৱা চী-য়ে টোঙৰ হাতত ধৰি ঘৰৰ বাহিৰলৈ লৈ গ'ল। তাত দোলনত শিশুটি দোল খাই আছিল। চী-ক দেখাৰ প্ৰথম দিনৰ দৰে আজিও অপলক দৃষ্টিৰে টোঙে চী-লৈ চাই থাকিল। চী যেনিবা ক্ৰমাত ওখ হৈ উঠিছে। চাওঁতে চাওঁতে তাই বিৰাট ওখ আৰু আগতকৈয়ো ধুনীয়া হৈ উঠিল। তাইৰ দেহাৰপৰা উজ্জ্বল পোহৰ ওলাই আছিল। হতবাক টোং বিস্মিত হতভম্ব হৈ পৰিল।

চী-য়ে লাহে লাহে টোঙক ক'লে "মই এতিয়া তোমাক এৰি গুচি যাম। মই মানৱী নহওঁ। তোমাৰ পিতৃভক্তিৰ গুণত মুগ্ধ হৈ স্বয়ং ঈশ্বৰে মোক তোমাৰ কাৰণে মানৱী ৰূপে ভূলোকলৈ প্ৰেৰণ কৰিছিল। এতিয়া মোৰ পুনৰ স্বৰ্গলৈ যাবৰ হ'ল। তাত মোক অপ্সৰী বুলি কোৱা হয়। তাত মোৰ নাম আছিল চী-নিয়ু। মই মোৰ স্মৃতিচিনস্বৰূপে এই শিশুটিক তোমাক দি থৈ গ'লোঁ।" এই বুলি কৈ, বিস্মিত-হতভম্ব টোঙৰ দুচকুৰ আগত চী লাহে লাহে নোহোৱা হৈ পৰিল।

কৃষ্ণাৱতাৰ

৪

শিশুকৃষ্ণৰ দুষ্টালি ক্ৰমাত অসহনীয় হৈ উঠিল। গোপিনীসকলে দলে দলে কৃষ্ণৰ বিৰুদ্ধে অভিযোগ দাঙি ধৰি যশোদাৰ কাষ চাপিল। গোপিনীসকলে যশোদাক ক'লে, "মা, তুমি কিমান যে ভাল; কিন্তু তোমাৰ পুত্ৰ যে এনেকুৱা হ'ব সেই কথা আমাৰ কল্পনাৰো অগোচৰ। তোমাৰ পুত্ৰই আমাক জল-কলা কৰিব ধৰিছে। সৰু ল'ৰা ভাবি বহু দিনলৈকে আমি তাৰ এনেবোৰ অত্যাচাৰ সহিলোঁ, কিন্তু আৰু নোৱাৰিছোঁ। কেতিয়াবা কেতিয়াবা আমাৰ ভাব হয়, যেনিবা তুমিয়েই তাক এইবোৰ কাম কৰিবলৈ লাই দি আছা। সি এইবোৰ কাণ্ড কৰে, কিন্তু তুমি তাক একো নোকোৱা। তুমি চেষ্টা কৰা হ'লে সি নিশ্চয় ঢেৰ ভাল হ'লহেঁতেন। আচলতে আমালৈ তোমাৰ মনত কোনো প্ৰকাৰৰ মৰম-বেথা নাই। কেৱল পুত্ৰৰ মৰমতে তুমি অন্ধ।"

*

আন এজনীয়ে লগে লগে কৈ উঠিল, "তোমাৰ লৰাটোৱে কি কৰে-নকৰে, ক'তা আমাক তুমি কেতিয়াও লুমুধিলা দেখোন। তেনেহ'লে কওঁ শুনা, সি আমাৰ বহুতৰে ঘৰত সোমাই দৈ-গাখীৰ লৱনু খাই-পেলাই যেনে মন যায় তেনে কৰি হৈ-হুলস্থুল কৰে। আমাৰ দৰে দুখীয়াহঁতৰ ঘৰত সি যদি এনেকৈ অত্যাচাৰ কৰে—



"মই যিটো কোঠাত ঘিঁউ-মাখন থওঁ, সেইটো কোঠা তলাৰে বন্ধ কৰি থওঁ। সি—ইমানকণ ল'ৰাটোৱে—সেই কোঠাৰ তলা ভাঙি দুৱাৰ ভাঙি কেনেকৈ যে সোমালগৈ! তাৰ কাণ্ড চাই প্ৰচণ্ড ভয় খাই মই মোৰ নিজৰ ঘৰ এৰি দৌৰি পলাইছিলোঁ। বহু সময়ৰ পাছত আহি চাওঁ যে—কোঠাটোত থৈ দিয়া ঘিঁউ-মাখন-গাখীৰৰ চিন-ছাবো অৱশিষ্ট নাই। তোমাৰ ল'ৰাই এনেকৈ অত্যাচাৰ কৰি থাকিলে আমি কি কৰিম কোৱাচোন?"

*

আন এজনীয়ে কৈ উঠিল, "ইমানপৰে শুনিলাই তাৰ কিৰীতিৰ কথা। এতিয়া মই যি ক'ম, তেনেকুৱা কথা-কাণ্ড কোনদিনেই দেখা তো নায়েই, শুনাও নাই। সি যে ঘৰত সোমাই কেৱল গাখীৰ, লৰুনু, দৈ খাইছে—কথা সিমানেই নহয়। সি চৰুবিলাকো এনেয়ে ভাঙি দিছে। সি দামুৰিবিলাকক এৰিদিছে, গাইবিলাকৰ পঘাবোৰ উঘালি পেলাইছে। মোৰ নিজৰ কেঁচুৱাটোক খুৱাবৰ জোখাৰে ঘৰত এটুপি গাখীৰো নাই। তুমিয়েই কোৱাঁ, এতিয়া আমি কি কৰা উচিত।"

*

অন্য এজনী গোপিনীয়ে কান্দি কান্দি আমাৰ ঘৰৰ বস্তু-সামগ্ৰী যদি দলিয়াই পেলায়, আমিনো আৰু কিমান সহিব পাৰিম? আমি ক'ত কেনেকৈ থাকিম?

*

তৎক্ষণাৎ আন এজনীয়ে ক'লে, "উচিত কথা কওঁ যদি—তোমাৰ পুতেৰাক এটা খাইকহ বুলিহে ক'ব লাগিব। সি চৰু-কাঁহী-বাটিবোৰ দলিয়াই পেলায় ভাঙি দিয়ে। তাৰ কাণ্ডৰ কথা শুনিলেই, এতিয়া তুমিয়েই কোৱাঁ, আমাৰ উপায় কি?"

*

আন এজনী গোপিনীয়ে খণ্ডতে হাত-ভৰি জোকাৰি জোকাৰি যশোদাক ক'লে,

ক'লে, "আজি পূজাৰ দিন। ল'ৰা-ছোৱালীক খাবলৈ দিম বুলি ভাবি ক্ষীৰ বনাইছিলোঁ। কিন্তু সেইখিনি তোমাৰ দুষ্টৰো দুষ্ট ল'ৰাটোৱে চাঁচি-চুকুকি খাই গ'ল। তাৰ পেটৰ ভিতৰত কোনটো ৰাক্ষসে বাহ লৈছে — কোনে ক'ব? এতিয়া—গৃহস্থকৰা মই কি ক'ম? ইমান-খিনি ক্ষীৰ এটা নাওমান ল'ৰাই খাই অঁতালে বুলি ক'লে তেওঁ বিশ্বাস কৰিবনে?"

*

এইদৰে, ইজনীৰ পিছত সিজনীকৈ, গোপিনীসকলে শিশুকৃষ্ণৰ বিৰুদ্ধে যশোদাৰ ওচৰত অভিযোগ দাঙি ধৰিলে। গোপিনী-সকলে নিৰ্বাক যশোদাক সুধিলে, "কোৱাঁ, আমি কি কৰিম। তুমিয়েই আমাক কৈ দিয়াঁ। আমি আমাৰ ঘৰ-দুৱাৰ এৰি হাবিয়াল হ'মগৈনে? কি কৰিম ক'লৈ যাম তাৰ অত্যাচাৰৰ হাত সাৰিবলৈ?"

*

ইমান পৰলৈকে গোপিনীসকলৰ কথা কথা মনপুতি শুনাৰ অন্তত যশোদাই ক'লে, "তোমালোকৰ যাৰ যিমান বস্তু নষ্ট হ'ল, মই তাৰ ক্ষতিপূৰণ কৰিম। মোৰ ল'ৰাটোৱে যে ৰাক্ষসৰ দৰে অত্যাচাৰ কৰি ফুৰিছে, তোমালোকে দেখিছা; কিন্তু চকুত পৰা নাই। তথাপি, মই তোমা-লোকৰ অভিযোগৰ সত্যতাক মানি লৈছোঁ, আৰু — ক্ষতিপূৰণ কৰাৰ প্ৰতিশ্ৰুতিও দিছোঁ, পাছত তোমালোকে লৈ যাবাহি। তাক যে কেনেকৈ বুজাম, কেনেকৈ ৰখাম, এতিয়া ময়ো ভাবি আছোঁ সেই কথা।" যশোদাৰ মুখে এই কথা শুনি গোপিনী-সকল তাৰপৰা ঘৰাঘৰি গুচি গ'ল।

*

অলপ পাছত কৃষ্ণ যেতিয়া ঘৰলৈ আহিল, তেতিয়া যশোদাই কৃষ্ণক ক'লে, "তই এইবোৰ কিবোৰ লণ্ডভণ্ড কাণ্ড কৰি ফুৰিছনো, বোপা? গাঁৱৰ গোপিনী-সৱে যে তোৰ বিৰুদ্ধে কত কথা কৈছে!



তোৰনো কিহৰ অভাৱ? দৈ-গাখীৰ-লৰুনু ঘৰত নাইনে? তই খুজিলে মোৰপৰা নাপাৱনে? তথাপি লোকৰ নাখালে তোৰ পেট নভৰেনে? গোপিনীসৱে মোক কিমান যে কৰ্কথনা-বিকথনা কৰি গ'ল! তোৰ কাৰণে আনৰ কৰ্কথনা শুনিব লাগে কিয়?"

মাতৃৰ কথা শুনি কৃষ্ণৰ মুখ গোমোঠা হৈ পৰিল। কিন্তু কৃষ্ণই একো নক'লে।

*

অলপ সময়ৰ পাছত যশোদাই কৃষ্ণৰ মূৰ-গায়ে হাত ফুৰাই কৈ থাকিল. "চা, বোপা, ধলপুৱাতে তোৰ বিৰুদ্ধে কতবোৰ যে কথা নুশুনিলোঁ! যাৰ যি মন যায় কৈ গ'ল। তোক এৰি দিলেই তই লোকৰ ঘৰৰপৰা চুৰি-ডাকি কৰি খাবি। সেই-দেখি, তোক ঘৰতে বান্ধি থ'ম বুলি ভাবিছোঁ। আৰুনো উপায় কি?" এই বুলি কৈ, মাতৃ যশোদাই শিশুকৃষ্ণক বিৰাট আকাৰৰ এটা খুন্দনাৰ সৈতে ৰছীৰে কটকটীয়াকৈ বান্ধি থ'লে।

*

অলপ পাছতশিশুকৃষ্ণই খুন্দনাটোক টানি টানি বাগিচালৈ লৈ গ'ল আৰু গছ এজোপাৰ গাত ৰছীডাল ঘঁহাই ঘঁহাই ৰছীডাল কাটি ছুটুকুৰা কৰি পেলালে আৰু ৰছীডালৰ ঘঁহনি খোৱাৰ লগে লগে সেই গছজোপাও ছুটুকুৰা হৈ গ'ল।

*

আৰু এই দৃশ্য চায়েই গোপিনীহঁতে দৌৰি দৌৰি যশোদাক ক'লেগৈ, "তুমি তোমাৰ আদৰৰ পুত্ৰক ৰছীৰে খুন্দনাৰ বান্ধিলা, পিছে—সি এতিয়া কি কৰিলে চোৱাগৈ। সি ৰাক্ষস নহৈনো আৰু কি?"

*

যেনে অৱস্থাত আছিল, তেনে অৱস্থাতে যশোদা গোপিনীসকলৰ স'তে ল'ৰি গ'ল বাগিচালৈ। তিমানতে তাত নন্দগুৱাল আৰু আন কেইজনমান গুৱালো আহি


Sankar

পাইছিলহি। সকলোটিয়েই সবিস্ময়ে দেখা পালে যে বিৰাট গছজোপা দুটুকুৰা হৈ পৰিছে., খুন্দনাৰ সৈতে ৰছীডাল বন্ধা আছে. কিন্তু তাত দুষ্ট কৃষ্ণহে নাই!

*

ইপিনে-সিপিনে চাই কিছু আঁতৰত মিচিক-মাচাককৈ হাঁহি থকা শিশুকৃষ্ণক দুষ্টালিভৰা দৃষ্টিৰে বহি থকা দেখা গ'ল। নন্দই দৌৰি গৈ কৃষ্ণক কোলাত তুলি লৈ ক'লে, "কথানো কি? তোমাৰ কঁকালত ৰছী বন্ধা কিয়? ইমান ডাঙৰ খুন্দনাটোক টানি আনিলানো কেনেকৈ? তুমি মোক সকলো কথা ভাঙি-পাতি কোৱাচোন তুৰন্তে কোৱাঁ বোপা—।"

*

তেতিয়াই যশোদাই সকলো কথা নন্দক বুজাই ক'লে, শিশুকৃষ্ণৰ গাত ইমান বল আছে—এই কথা ভাবি নন্দই মনে মনে বৰ আনন্দ পোৱা হ'ল।

*

বুঢ়া গুৱালহঁতে কোৱাকুই কৰি থাকিল: ইমান ডাঙৰ খুন্দনাটোক সি নাওমান চলিটোৱে যেনিবা 'কেনেবাকে' চোঁচৰাই আনিলেই; পিছে—গছজোপাক টুকুৰা কৰিবলৈ হাতীৰ বল সি পালে ক'ৰপৰা? পুলিতেই এই, বাঢ়িলে কি হ'বহে? এনেয়ে সি যিহে উৎপতীয়াটো হৈ উঠিছে, আমি তাৰ অত্যাচাৰত অতিষ্ঠ। কৃষ্ণ এতিয়া এক মূৰ্তিমন্ত আতংক। সি আৰু অলপ ডাঙৰ হোৱাৰ পাছত দেখোন কোনেও গাঁৱত তিষ্ঠিব নোৱাৰিব!"

*

কিছুদিনৰ অন্তত বলৰাম হ'ল আঠ বছৰীয়া. কৃষ্ণয়ো সাতবছৰত ভৰি দিলে। সিহঁত দুয়ো সিহঁতৰ সমনীয়াহঁতৰ সৈতে খেল-ধেমালি কৰিছিল। সিহঁতে দামুৰি-বিলাকৰ সৈতে লৰা-ধপৰা কৰিছিল। সিহঁতে যেতিয়া একেলগে গীত গাইছিল, তেতিয়া গোটেইখন গাঁৱৰ মানুহে সেই

গীত শুনিছিল। সিহঁতে লোকৰ বাৰীৰ গছত উঠি আম-জামু-নাৰিকল খাইছিল।

*

এইদৰে কিছুদিন অতিবাহিত হোৱাৰ অন্তত এদিন কৃষ্ণই বলৰামক ক'লে, "ককাইদেউ, আমি ইয়াতে জনমিলোঁ, ইয়াতে ডাঙৰ-দীঘল হ'লোঁ। ইমানদিন ধৰি এঠাইত থকাৰ কিবা অৰ্থ হয়নে? এই ঠাইৰ পশুবোৰ খাদ্যৰ অভাৱত শুকাই খীণাই হাড়ে-ছালে লগা হৈ পৰিছে। এই ঠাইত খেতি-মাটি খঁৰৰ কোবত চিৰাল-ফটা দিছে। আনকি পুখুৰীতো পানী নোহোৱা হৈছে। গছ-গছনি শুকাই গ'ল, শাক-পাচলিও পাবলৈ নাই। সেই দেখিহে কওঁ, বলা, আমি এই ঠাই এৰি গুচি যাওঁ। বৃন্দাৱন বৰ ভাল ঠাই বুলি শুনিছোঁ, তাত হেনো গোবৰ্ধনগিৰি আছে। তাত হেনো ভাণ্ডীৰ নামৰ বিৰাট ধুনীয়া এজোপা বৰগছ আছে। কালিন্দী নৈ বৃন্দাৱনৰ ওপৰেদি বৈ গৈছে। আমি তাত সুখে-সন্তোষে বসবাস কৰিব পাৰিম। তাতো বুঢ়া লোকসকলৰ সংখ্যা বৰ কম নহয়। পিছে—তেওঁলোকক তাৰপৰা খেদি পঠোৱাৰ কিবা এটা ব্যৱস্থা-বন্দৱস্ত কৰা হ'ব। এই কথা ধ্ৰুৱ যে—তাত আমি দলে-বলে থাকিব পৰা সুন্দৰ



বন্দৱস্ত মই অৱশ্যেই কৰিম। এইখিনি বন্দৱস্ত কৰা মোৰ পক্ষে অলপো টান কাম নহ'ব। বলা, ইয়াত আৰু নাথাকোঁ ইয়াত মই মন বান্ধিব পৰা নাই।"

*

কৃষ্ণই এনেবোৰ কথা কৈ থাকোঁতে তাৰ দেহৰপৰা অসংখ্য কুকুৰনেচীয়া ওলাই আহিল। কুকুৰনেচীয়াবোৰে অ'লৈ ত'লৈ চোঁচা ল'লে। গৰখীয়াহঁত যি যেনিয়েদি পাৰিলে পলাই গ'ল। সিহঁতে পৰস্পৰৰ মাজত এনে অদ্ভুত পৰিস্থিতিৰ বিষয়ে আলোচনা কৰি থাকিল। এই কুকুৰ-নেচীয়া বাঘবিলাক কৃষ্ণৰ আশ্চৰ্য্য ক্ষমতাৰ

বলেৰে ওলাইছিল। গধূলিৰ পাছত কোনো-কেও ঘৰৰ বাহিৰ নহৈছিল। ক্ৰমে ক্ৰমে, সেই ঠাইৰ মানুহে সিংহৰ গৰ্জন, বাঘ হাওৰণি শুনি পোৱা হ'ল। এই অঞ্চলত হঠাৎ অসংখ্য বনৰীয়া গাহৰি ওলাল আৰু সেই বন্য গাহৰিবিলাকে য'তে ত'তে মাটি খান্দিবলৈ ধৰিলে।

এনেবোৰ লণ্ডভণ্ড কাণ্ডাকাণ্ড চাই সেই ঠাইৰ অধিবাসীসকল চিন্তান্বিত হৈ পৰিল। সেই ঠাইৰ বুঢ়া লোকসকলে কোৱাকুই কৰিলে, "বিতোপন-বৃন্দাৱনত তো এইবোৰ জন্তু-জানোৱাৰ কেতিয়াও নাছিল। কিন্তু এতিয়া বৃন্দাৱন বসবাসৰ একেবাৰে অযোগ্য হৈ উঠিল আৰু ইয়াত আমাৰ চাউল টুটিল যেন পাওঁ।"

এইবোৰ কথাৰ মাজতে এদিন নাৰদ-মুনি নন্দৰ ওচৰলৈ গ'ল। নাৰদমুনিয়ে নন্দক ক'লে, "তোমালোকে যে বৃন্দাৱনলৈ যাবা খুজিছা, মনত ৰাখিবা, তাতো ৰাক্ষসইঁতৰ অত্যাচাৰ কম নহয়। তোমাৰ পুত্ৰক তুমি অতি সাধাৰণ ল'ৰা এটি বুলি নাভাবিবা। ৰাক্ষসইঁতক বধ কৰা তথা ধ্বংস কৰাৰ বাবেই তাৰ আবিৰ্ভাৱ ঘটিছে। কৃষ্ণ হ'ল স্বয়ং নাৰায়ণ। বলৰামো কৃষ্ণৰেই অংশ। কৃষ্ণক বধ কৰিবলৈহে পূতনা ৰাক্ষসী শকটৰ [গাড়িৰ] ভিতৰত কোনেও নেদেখাকৈ বহি আছিল। কিন্তুশিশুকৃষ্ণই পূতনা ৰাক্ষসীক বধ কৰাৰ দৃশ্য তুমি নিজেই প্ৰত্যক্ষ কৰিছা। মই কওঁ, অলপো ভয় নকৰি তুমি পা-পৰিয়ালৰে সৈতে বৃন্দাৱনলৈ যোৱা। তাত তোমা-লোকৰ লাভহে হ'ব, একো অনিষ্ট নহ'ব।"

নাৰদমুনিয়ে কৃষ্ণকো এই কথা ক'লে।

তাৰ পাছত নন্দই অন্যান্য গুৱাল-গৰখীয়াক ক'লে, "তেনেহ'লে বলা, আমি এই ঠাই এৰি এতিয়া বৃন্দাৱনলৈ যাওঁ। নাৰদমুনিয়ে কোৱা মতে বৃন্দাৱনলৈ যোৱাটোহে আমাৰ পক্ষে ভাল হ'ব।"

আটাইতকৈ ডাঙৰ বেমাৰ

নাম আছিল বৈৰাগী ; কিন্তু বিৰাট ধনিক। এবাৰ বৈৰাগী টান বেমাৰত পৰিল। বৈদ্যই দৰব-পাতিও দিলে, কিন্তু দৰবে একো গুণ নিদিলে, ভাল নহ'ল।

বৈৰাগীয়ে বৈদ্যক ক'লে, "বোপাহে, মই অর্থ উপার্জনৰ বাবে জীৱনত ঢেৰ পাপকর্ম কৰিলোঁ। মোৰ অর্জিত পাপৰ ফলত দৰবে গুণ দিয়া নাই। এই বেমাৰেই মোক মাৰিব। মৰালৈ মোৰ দুশ্চিন্তা নাই, মৰাৰ পাছত নৰক-যাতনালৈহে চিন্তা।"

বৈৰাগীৰ মনৰ অৱস্থাৰ বুজ লৈ বৈদ্যই তাক ক'লে, "আপুনি দুশ্চিন্তা নকৰিব। মই আপোনাৰ পাপ বিদূৰিত কৰাৰ তথা পুণ্য অর্জিত হোৱাৰ বাবে কিবা এটা কৰিম।"

সেইখন গাঁৱতে প্ৰলোভ নামৰ এজন দুখীৰো দুখী হালোৱা আছিল। তাৰ আছিল দুটি সন্তান আৰু ঘৈণীয়েক। উধাৰ কৰি উঠনা খাইহে কথমপি চলিছিল। বৈদ্য বিদাৰণগুপ্তই এদিন প্ৰলোভক বৈৰাগীৰ ওচৰলৈ লৈ গ'ল আৰু বৈৰাগীক ক'লে, "তেলীৰ মূৰত তেল নাসানি এনেকুৱা দুখীয়া মানুহক যদি দান কৰে— আপোনাৰ অনেক পুণ্য হ'ব।"

তৎমুহূর্ততে বৈৰাগীয়ে দুখীয়া হালোৱা প্ৰলোভৰ দুখ-দুৰ্দশা দূৰ কৰি এবছৰৰ বাবে খোৱা-বোৱাৰ বন্দৱস্ত কৰিলে। আৰু এইবাৰ দৰব খোৱাৰ সাত দিনৰ ভিতৰত বেমাৰৰ প্ৰকোপ হ্ৰাস হ'ল আৰু তাৰ পাছত বৈৰাগী ভাল হৈ উঠিল।

এই ঘটনাৰ কথা শুনি ৰাইজে ভাবিলে : আমিও কম হওক বেছি হওক দান-দক্ষিণা নিদিয়া নহয়, পিছে—আমাৰ

মিতা চহৰীয়া

দেখোন এনেকুৱা অলৌকিক একো নঘটে। নিশ্চয় হালোৱা প্ৰলোভৰ মাজত থকা কিবা দৈৱশক্তিৰ বলতহে বৈৰাগীহেন চিকটাৰ চিকিৎসাত এনে ফল ফলিল।

ৰাইজে এনেবোৰ কথা কোৱাকুই কৰাৰ কথা প্ৰলোভেও নুশুনাকৈ নাথাকিল।

তেতিয়া প্ৰলোভে নিজেও তাৰ এই ঘটনাৰ কথা আওপাকে গাই ফুৰিবলৈ ধৰিলে। তাৰ ফলত বহুতেই প্ৰলোভক উপযাচি সহায় কৰিবলৈ ধৰিলে।

এতিয়া আৰু প্ৰলোভ হালোৱাৰ ঘৰখনত অভাৱ-অনাটন নাই। প্ৰলোভে কেৱল নিজৰ গাঁৱতে নহয়, ক্ৰমে ক্ৰমে আন গাঁৱতো নিজৰ ঢোল নিজেই কোবাই দান-দক্ষিণা লৈছিল, যদিও এই দান-দক্ষিণা ক্ৰমে ভিক্ষালৈ বাগৰিল।

প্ৰলোভৰ এনেবোৰ কাণ্ড চাই চাই এদিন তাৰ ঘৈণীয়েকে তাক ক'লে, "তোমাৰ লোভ-লালচ ক্ৰমাত বাঢ়িহে গৈছে। তুমি যে লোকৰ দুৱাৰে দুৱাৰে গৈ দৰাচলতে খুজি-মাগিহে আনিছা, সেই কথাটো চাগেই বুজি পোৱা নাই তুমি। তুমি আগৰ দৰে খেতি-বাতিৰ কামত ধৰাটোহে ভাল হ'ব। এনেকুৱা মগনিয়াৰ জীৱনে মোক আমুৱাইছে।"

"মই যিমানদিনলৈকে কঠোৰ শ্ৰম কৰি খেতি-বাতি কৰিছিলোঁ, ঘৰখনত অভাৱ-অনাটন সদায় লাগিয়েই আছিল।



এতিয়া কোনো অভাৱ-অনাটন নাই।” প্ৰলোভে তাৰ ঘৈণীয়েকক ক’লে।

ঘৈণীয়েকে তাৰ এই কথাত অকণোকে ভাল নাপাই ক’লে, “আমি যেতিয়া দুখ-কষ্টত আছিলোঁ, তেতিয়া বৈৰাগীয়ে আমাক সহায় কৰাত তেওঁৰ পাপ খণ্ডন হৈছিল। কিন্তু আমাৰ দুখ-কষ্ট এতিয়া আৰু নাই। সেয়েহে—এতিয়া যিসকলে আমালৈ সহায়ৰ টোপোলা আগ বঢ়াইছে, সিসকলৰ পাপ নিশ্চয় খণ্ডন হোৱা নাই, আৰু কোনো সুফলো পোৱা নাই। আগলৈ—লোকৰ মুখে মুখে কিন্তু এই কথাটোও প্ৰচাৰিত হ’ব, আৰু তেতিয়া তোমাক কোনেও দান-দক্ষিণা বাদেই—ভিক্ষাও নিদিয়া হ’ব। তেতিয়া আমাৰ কেনে অৱস্থা হ’ব ভাবি চাইছনে কেতিয়াবা? আৰু—এবাৰ যদি ধোদামিৰ অভ্যাস হৈছে, আৰু কেতিয়াও কাম-বন কৰাৰ মনেই নোহোৱা হ’ব। ধোদামিতকৈ ডাঙৰ বেমাৰ আৰু একো নাই।”

প্ৰলোভে তাৰ ঘৈণীয়েকৰ এই কথা কাণতো নুতুলিলে। কিন্তু তাৰ ঘৈণীয়েকো হাত সাৰটি বহি নাথাকিল।

এদিন প্ৰলোভৰ ঘৈণীয়েকে বৈদ্য বিদাৰণগুপ্তক মতাই অনাই প্ৰলোভৰ এনেবোৰ অন্যায় লোভৰ কথা বুজাই ক’লে। বৈদ্য বিদাৰণগুপ্তয়ো তেওঁ যে প্ৰলোভৰ ক্ষেত্ৰত কিখিনি ভুল কৰিলে,



সেই কথাটো অতি পৰিষ্কাৰভাৱে উপলব্ধি কৰিলে। আৰু তাৰ পাছত—

এদিন প্ৰলোভ নিজেই বেমাৰত পৰিল। এতিয়া প্ৰলোভে কি কৰে? তেতিয়া বাধ্যত পৰি প্ৰলোভে বৈদ্য বিদাৰণগুপ্তৰপৰা পৰামৰ্শ খুজিলে।

এদিন এছেগত বৈদ্য বিদাৰণগুপ্তই হালোৱা প্ৰলোভক ক'লে' "শুনা, দান-ধৰ্মৰ যোগদি পুণ্য অৰ্জিত নহয়, আদান-প্ৰদানহে ঘটে। বৈৰাগীৰপৰা দান গ্ৰহণৰ যোগেদি তোমাৰ অৰ্জিত পুণ্যৰ এভাগ বৈৰাগীয়ে পালে। এইদৰে, তোমাক যিসকলে দান-দক্ষিণা দিলে, সেইসকলৰ প্ৰতিজনেই তোমাৰ অৰ্জিত-সঞ্চিত পুণ্যৰ, পৰা অলপ অলপকৈ পালে। আৰু তাৰ ফলত—তোমাৰ অৰ্জিত-সঞ্চিত পুণ্য আন-সকলে পোৱাত—তোমাৰ আটাইখিনি পুণ্য নোহোৱা হ'ল। আৰু সেইদেখিহে তুমি এতিয়া বেমাৰত পৰিলা। যি কি নহওক, এইবাৰলৈ মই তোমাক ভাল কৰি তুলিম। কিন্তু মনত ৰাখিবা - ইয়াৰ পাছতো যদি কেতিয়াবা তুমি লোকৰপৰা দান-দক্ষিণা লৈছা, আৰু যদিহে আকৌ বেমাৰত পৰিছা, সেই বেমাৰৰপৰা তোমাক ভাল কৰি তুলিব নোৱাৰিম। কিয়নো—সেয়া হ'ব তোমাৰ পাপৰ ফলত হোৱা বেমাৰ। তেতিয়া—সেই পাপৰ ফলত তোমাৰ মৃত্যু সুনিশ্চিত।"

বৈদ্য বিদাৰণগুপ্তৰ কথাত প্ৰলোভ ভীত হৈ উঠিল। এইবাৰ বেমাৰৰপৰা সুস্থ হৈ উঠাৰ পাছত সেইদেখিহি সি আকৌ আগৰদৰে খেতি-বাতিত ধৰিলে আৰু জোখে-জোখাৰে শস্য বুটলি ভঁৰাল ভৰালে। আৰু তাৰ ফলত প্ৰায় মগনিয়াৰ হৈ পৰা প্ৰলোভৰ পাৰিবাৰিক জীৱন আগতকৈ অনেক মধুৰ হৈ উঠিল। শ্ৰমেই যে জীৱনৰ প্ৰকৃত মাধুৰ্য্য—সেই কথাটো প্ৰলোভে উপলব্ধি কৰিলে।



বাঞ্ছা-বিৰিখ

বৈতৰণীদেশৰ ৰজাৰ নাম আছিল কূৰ্ম। ৰজা কূৰ্মৰ এটি মাথোন পুত্ৰ। পুত্ৰৰ নাম তিমিৰৰাজ। বৃদ্ধ বয়সত ৰজা কূৰ্মই তেওঁৰ পুত্ৰ ৰাজকোঁৱৰ তিমিৰৰাজক দেশৰ ৰজা হিচাপে ঘোষণা কৰিলে।

এদিন ৰাজকোঁৱৰ তথা যুৱৰাজ তিমিৰৰাজে তেওঁলোকৰ বংশ পৰিচয় নিজানত বহি পঢ়িবলৈ ধৰিলে। তাত এঠাইত লিখা আছিল:

বৈতৰণীদেশৰ উত্তৰদিশত আছে এডৰা অৰণ্য। সেই অৰণ্যত আছে 'বাঞ্ছাবৃক্ষ' বা 'কল্পতৰু'। সেই কল্পতৰুৰ তলত থিয় হ'লেই যাৰ যেনে মন যাব তেনে ৰূপ ধাৰণ কৰিব পাৰিব। এই কল্পতৰু তথা বাঞ্ছাবৃক্ষৰ তলত থিয় হৈ বহু সংখ্যক ৰজাই মনে-খোৱা মতে ছদ্মবেশ ধাৰণ কৰি প্ৰজাবৰ্গৰ সমস্যাৰ বুজ লৈছিল আৰু সেইবোৰ সমস্যাৰ সমাধান কৰিবলৈ যত্নপৰ হৈছিল।

এইখিনিলৈকে পঢ়াৰ অন্তত তিমিৰৰাজ অৰণ্যলৈ গ'ল আৰু একেৰাহে দহ দিন ধৰি অৰণ্যত বিচাৰি বিচাৰি অৱশেষত বাঞ্ছাবৃক্ষ বা কল্পতৰু বিচাৰি উলিয়াব পৰা হ'ল। বিৰিখজোপা প্ৰায় শুকাই গৈছিল। এইজোপা বিৰিখৰ তলত থিয় হৈ তিমিৰৰাজে সৈনিক হ'ব খোজামাত্ৰকে সৈনিক হ'ল, মন্ত্ৰী হ'ব বুলি ভবাৰ লগে লগে মন্ত্ৰীলৈ ৰূপান্তৰিত হ'ল।

তেতিয়া তিমিৰৰাজে ভাবিলে: বিভিন্ন সময়ত বিভিন্ন ৰূপ ধাৰণ কৰি মই দেশৰ সমস্যাৰ বুজ ল'ম তথা সকলো বিধৰ সমস্যাৰ সমাধান কৰিবলৈ সচেষ্ট হ'ম।

পাছদিনা, উদ্যানত পায়চাৰি কৰি

'ৰামভট্ট'

থাকোঁতে সেনাপতিৰ পত্নীয়ে তিমিৰৰাজক ক'লেহি, "যুৱৰাজ, মোৰ ল'ৰা-ছোৱালীহঁত যোৱা দুদিন ধৰি নোখোৱাকৈ আছে। সিহঁত সিহঁতৰ দেউতাৰৰ লগত বহি খোৱাত অভ্যস্ত। আপুনি অনুগ্ৰহ কৰি কিবা এটা ব্যৱস্থা কৰক।"

যোৱা দুদিনৰ আগতে, দেশৰ সীমান্ত পৰিদৰ্শন কৰিবলৈ সেনাপতিক সীমান্তলৈ পঠোৱা হৈছিল। সেনাপতিৰ পত্নীৰ কথা শুনি, তেওঁক আশ্বাস প্ৰদান কৰি, যুৱৰাজ তিমিৰৰাজ পোনে পোনেই কল্পতৰু তথা বা বাঞ্ছাবৃক্ষৰ তললৈ গ'ল আৰু অলপ পাছত সেই সেনাপতিৰ ৰূপ ধাৰণ কৰি সেনাপতিৰ ঘৰ পালেগৈ।

সেনাপতিৰূপী তিমিৰৰাজক দেখা পোৱামাত্ৰেই সেনাপতিৰ ল'ৰা-ছোৱালী-হঁতে হৈ-হুলস্থুল লগাই দিলে। সেনাপতিৰ ল'ৰা-ছোৱালীহঁতৰ লগত তিমিৰৰাজ খাবলৈ বহিল আৰু ল'ৰা-ছোৱালীহঁতেও আনন্দ মনেৰে খাবলৈ ধৰিলে। আৰু ঠিক তেতিয়াই—

ঠিক তেতিয়াই সীমান্তৰ অৱস্থা পৰ্য্যবেক্ষণ কৰাৰ অন্তত প্ৰকৃত সেনাপতি ঘৰলৈ উভতি আহিল। আহিয়েই তাত তেওঁৰ ভেশ লোৱা আন এজনক দেখা পাই তেওঁ ক্ৰুদ্ধ কণ্ঠেৰে গৰ্জি উঠিল, "হেই দুৰাত্মা! তইনো কোন?" আৰু এই বুলি কোৱাৰ লগে লগে আচল সেনাপতিয়ে নকল সেনাপতিক এডাল লাঠিৰে পিঠিত মৰিয়াবলৈ ধৰিলে।

ইমান মাৰ-পিট সহিব নোৱাৰি, অৰ্ধ-অচেতন তিমিৰৰাজে সেনাপতিক থোৰতে সকলো কথা বুজাই কোৱাৰ অন্তত মূৰ্চ্ছা গ'ল। তাৰ পাছত প্ৰায় দহ দিনৰ পাছতহে ৰজা তিমিৰৰাজ ভাল হৈ উঠিল।

এই ঘটনাৰ কিছুদিনৰ অন্তত, দেশৰ প্ৰজাৰ সুখ-দুখৰ খা-খবৰ ল'বলৈ তিমিৰ-ৰাজ ছদ্মবেশত ওলাল। গৈ গৈ—গৈ গৈ—তেওঁ বাটৰ দাঁতি কাষৰীয়া এটা

ঘৰৰ আগত বৈ দিলে আৰু ছদ্মবেশী যুৱৰাজ তিমিৰৰাজে সেই ঘৰত হোৱা কথা-বতৰা শুনি থাকিল।

তাত অতি খহটা মাতেৰে ঘৈণীয়েকে গিৰিয়েকক কৈ আছিল, "এই বয়সৰ ছোৱালীহঁত বিয়া-বাৰু কৰাই ল'ৰা-ছোৱালীৰে সৈতে ঘৰ-সংসাৰ কৰিছে, অথচ তুমি ইমান ডাঙৰ ছোৱালীজনীৰ বিয়াৰ নাম-গোন্ধকে নোলোৱা হৈছা!"

বিৰক্ত হৈ গিৰিয়েকে কৈ উঠিল, মনে মনে থাকাচোন, তাইৰ বিয়া পতাটো কোনো সমস্যায়েই নহয়। যিকোনো দিনা তাইৰ বিয়া পাতিব পাৰি।"

এইখিনি শুনাৰ অন্তত তিমিৰৰাজ তাৰপৰা আঁতৰ হ'ল। তেতিয়া তেওঁৰ কাণত পৰিল এজন ব্যৱসায়ীৰ কথা-বতৰা। ব্যৱসায়ীৰ পুতেকে তাৰ দেউতাকক কৈ আছিল, "সেই দেৱকুমাৰ নহালৈকে আমি তেন্তে বেপাৰ-বণিজ বন্ধ কৰি হাত সাৱটি বহি থাকিম?"

"নহ'লেনো কি কৰিবা?" ব্যৱসায়ী-জনে ল'ৰাটোক ক'লে।

ল'ৰাটোৱে চিন্তাযুক্তভাৱে ক'লে, "তেওঁ আহিলেই আমাৰ সমস্যাৰ সমাধান হ'বনে বাৰু?"

ৰজাই ভাবিলেঃ এজন দেৱকুমাৰেই দুখন ঘৰৰ সমস্যাৰ সমাধান কৰিব পাৰিব। এই কথা ভবাৰ লগে লগেই তেওঁ বাঞ্ছা-বৃক্ষৰ তললৈ গৈ দেৱকুমাৰৰ ৰূপ ল'লে।

দেৱকুমাৰ আছিল এজন ব্যৱসায়ী। এবাৰ দেৱকুমাৰে তেওঁৰ ছোৱালীজনীৰ বিয়াৰ বাবে চন্দ্ৰনাথৰপৰা উচ্চ সুতৰ সলনি দহ হেজাৰ টকা ধাৰলৈ লৈছিল। আৰু আন এজন পিঁয়াজৰ কাৰবাৰীৰপৰা লৈছিল ভালখিনি পিঁয়াজ। কিন্তু পিঁয়াজ লৈ সাগৰৰ সিপাৰলৈ যাওঁতে দেৱকুমাৰে যথাসৰ্বস্ব হেৰুৱালে। তাৰপৰা উভতি আহি ঋণ পৰিশোধ কৰাৰ উপায় নেদেখি দেৱকুমাৰে পূৰ্বদিশৰ দ্বীপ এটাত

জীৱনৰ বাকী কালছোৱা অতিবাহিত কৰিব বুলি স্থিৰ কৰিলে।

দেৱকুমাৰৰ ৰূপ লোৱা তিমিৰৰাজ প্ৰথমেই পিঁয়াজৰ কাৰবাৰীৰ কাষ চাপিল, আৰু পিঁয়াজৰ কাৰবাৰীয়ে তিমিৰৰাজক দেখা পোৱামাত্ৰেই তেওঁৰ পিঠিত বাবৰি ফুল বাছিবলৈ ধৰিলে।

আৰু এই খবৰ পায়েই চন্দ্ৰনাথ ল'ৰি আহিল। আহিয়েই দেৱকুমাৰৰূপী তিমিৰৰাজক চন্দ্ৰনাথে গৰ্জি উঠি ক'লে, "ঐ হাৰামৰ নেগুৰ, ছোৱালীৰ বিয়া পতাৰ নাম কৰি লোৱা টকা দহহেজাৰ এতিয়াই ঘূৰাই দে। নহ'লে তোক মৰো শুদাই নেৰোঁ, তোক মাৰি ভৈয়াম কৰিম।"

তাৰ পাছত সিহঁতে দেৱকুমাৰৰূপী তিমিৰৰাজক বিচাৰ খাবে ৰাজসভালৈ লৈ আহিল। মন্ত্ৰীয়ে ক'লে, "যুৱৰাজ এতিয়া ৰাজধানীত নাই, এই মানুহজনক কাৰাগাৰত ভৰাই থোৱা।"

কাৰাগাৰত বন্দী তিমিৰৰাজে কাৰাগাৰৰ প্ৰহৰী এজনক কাবৌ-কাকুতি কৰি মহামন্ত্ৰীৰ ওচৰলৈ পঠালে। মহামন্ত্ৰী কাৰাগাৰলৈ আহিল। তিমিৰৰাজে মহামন্ত্ৰীক সকলো বিবৰি ক'লে।

এই দুটা ঘটনাৰ পাছৰপৰা ৰজা তিমিৰৰাজে বাঞ্ছাবৃক্ষৰ তললৈ আৰু নোযোৱা হ'ল।

কেইদিনমানৰ অন্তত হঠাৎ ৰজাৰ ধন-ভঁৰাল কোনোবা চোৰে উদি কৰিলে, আৰু কিছুদিনৰ ভিতৰত ৰাণীৰ আ-অলংকাৰ চুৰি হৈ গ'ল। কিন্তু বহু চেষ্টা সত্বেও চোৰ ধৰা নপৰাত তিমিৰৰাজে নিজেই চোৰ ধৰিবলৈ মনস্থ কৰি কুকুৰ এটাৰ ৰূপ ল'লে।

কুকুৰৰূপী তিমিৰৰাজ ৰাজপ্ৰাসাদৰ সমুখত থিয় হৈ থাকোঁতে, মাজনিশা এটা চোৰে মস্ত ডাঙৰ টোপোলা এটা কঢ়িয়াই লৈ সেই বাটেদি যোৱাত তিমিৰৰাজে বিৰাট গৰ্জন কৰি ভুকি ভুকি

চোৰটোৰ ভৰিত কামুৰি ধৰিবলৈ গ'ল আৰু চোৰটোৰে এচটা শিলেৰে এই কুকুৰটোক মাৰিলে। কিন্তু কুকুৰৰূপী তিমিৰৰাজ তথাপি চোৰটোৰ পিছ খেদি খেদি বহু দূৰলৈকে গ'ল। চোৰটো সেনাপতিৰ ঘৰৰ আগত ৰ'ল আৰু সাজ-পাৰ পিন্ধি সেনাপতিৰ ঘৰত সোমালগৈ।

এই চোৰ যে স্বয়ং সেনাপতি, আৰু সেনাপতিয়ে যে সেই কল্পতৰু বা বাঞ্চা-বৃক্ষৰ তললৈ গৈ চোৰৰ ৰূপ লৈছিল, সেই কথা তিমিৰে বুজি পালে।

তিমিৰৰাজ তৎক্ষণাৎ ৰাজধানীলৈ উভতি আহিল আৰু নিজৰ ৰূপ ধাৰণ কৰি সেনাপতিক বন্দী কৰি লৈ আহিবলৈ প্ৰহৰীহঁতক আদেশ দিলে। তাৰ পাছত বৃদ্ধ ৰজাক সকলো কথা ক'লে।

দেউতাকে তিমিৰৰাজক ক'লে. "বোপা, বাঞ্চাবৃক্ষ কোনো ধৰণৰ জাতু-বৃক্ষ নহয়। বাঞ্চাবৃক্ষ অতি বেয়া বৃক্ষ, এই বৃক্ষৰপৰা কেতিয়াও উপকাৰ নোপোৱা। এই জোপাক কাটি পেলোৱা।"

এই ঘটনাৰ এমাহৰ অন্তত ৰাণীৰ কঠিন বেমাৰ হ'ল। ৰাজবৈদ্যই মহাৰাজ কূৰ্মক ক'লে, "মহাৰাজ, ৰামনাৰায়ণ কাঠ-কটীয়ইহে মহাৰাণীৰ এই বেমাৰ ভাল কৰি তোলাৰ বাবে অৰণ্যৰপৰা দেৰগুল্ম

বিচাৰি আনিব পাৰিব।"

কিন্তু বহু বিচাৰ-খোচাৰ কৰিও ৰাম-নাৰায়ণক বিচাৰি পোৱা নগ'ল। অৱশেষত তিমিৰৰাজেই বাঞ্চাবৃক্ষৰ তললৈ গৈ ৰাম-নাৰায়ণৰ ৰূপ ল'লে আৰু ৰাজবৈদ্যই কোৱা মতে সেই দেৰগুল্ম চিনি নাপাই আন এজোপা গছৰ শিপা আনি দিলে।

ইপিনে — মহামন্ত্ৰীৰ মনতো ৰজা হোৱাৰ ইচ্ছা উপজিল। এতিয়া ছেগ বুজি মহামন্ত্ৰীও সেই বাঞ্চাবিৰিখৰ তললৈ গ'ল আৰু ৰজাৰ ৰূপ ধাৰণ কৰিয়েই বাঞ্চাবৃক্ষজোপাক কাটি পেলাবলৈ প্ৰহৰী-হঁতক কটকটীয়াকৈ নিৰ্দেশ দিলে। কিন্তু

কাঠকটীয়া ৰামনাৰায়ণৰূপী তিমিৰৰাজে মহামন্ত্ৰীৰ এই আদেশৰ প্ৰতিবাদ কৰিলে। ৰঙ্গাৰূপী ধূৰ্ত মহামন্ত্ৰীয়ে গৰ্জি উঠি ক'লে "প্ৰহৰী, ইয়াক এশটা সৌকাৰ কোব এতিয়াই উপহাৰ দিয়া।"

কিন্তু সৌকাৰে কোবোৱাৰ আগতেই ৰামনাৰায়ণৰূপী তিমিৰৰাজে নিজেই কুঠাৰেৰে ঘপিয়াই বাঞ্ছাবৃক্ষজোপা কাটি পেলালে।

পাছ মুহূৰ্ততে ৰামনাৰায়ণৰূপী তিমিৰৰাজে তেওঁৰ আগৰ মূৰ্তি ঘূৰাই পালে। আৰু লগে লগে ধূৰ্ত মহামন্ত্ৰী নিমিষতে তাৰপৰা নোহোৱা হ'ল।

যিবোৰ প্ৰহৰীয়ে যুৱৰাজ তিমিৰৰাজক সৌকাৰে কোবাবলৈ সাজু হৈছিল, সেইবোৰ প্ৰহৰীয়ে তিমিৰৰাজৰ ভৰিত উবুৰি খাই পৰি ক্ষমা ভিক্ষা কৰিলে।

তাৰ পাছত যুৱৰাজ তিমিৰৰাজে বাঞ্ছাবৃক্ষজোপা কাটি পেলোৱাৰ কথা তেওঁৰ দেউতাকক কোৱাত তেওঁ ভাল পাই ক'লে, "চোৱা বোপা, যিবোৰ ঘটনা ঘটিল তাৰপৰা শিক্ষা গ্ৰহণ কৰাটোৱেই আমাৰ কৰ্তব্য। তুমি এতিয়া এটা কাম কৰা। কাঠকটীয়া ৰামনাৰায়ণক বিচাৰি উলিয়াই সেই দেৱগুল্ম সংগ্ৰহ কৰি, তোমাৰ মাৰাক সুস্থ কৰি তুলিবলৈ চেষ্টা কৰি চোৱা। আৰু—যিবোৰ সাঁচিপাতত আমাৰ উপৰি পুৰুষসকলে এইবোৰ কথা লিখি থৈ গৈছে, সেই সাঁচিপাতবোৰ আন কোনেও কদাপি হাতত নোপোৱাকৈ সযতনে গুপ্তঠাইত থৈ দিয়া।"

এইবোৰ ঘটনাৰপৰা শিক্ষা লৈ, যুৱৰাজ তিমিৰৰাজে ভৱিষ্যতত কদাপি কোনো-বিধৰ জাদুৰ বা অলৌকিকত্বৰ সহায়ত দেশৰ সমস্যাসমূহৰ সমাধান কৰাৰ চেষ্টা কৰা নাছিল। মহাৰাজ কূৰ্ম স্বৰ্গী হোৱাৰ অন্তত এগৰাকী সুশাসক হিচাপে তিমিৰৰাজে যথেষ্ট খ্যাতি আৰ্জিব পৰিছিল।



ঈৰ্ষাৰ জুই

এখন গাঁৱত এজন দুখীয়াৰো দুখীয়া বুঢ়া মানুহ আছিল। এদিন খাঁহ কাটি আনিবলৈ বুঢ়া পাহাৰৰ নামনিলৈ ওলাল। বুঢ়াই বুঢ়ীয়ে টোপোলাত বান্ধি দিয়া ৰুটিও লৈ গ'ল। তাত এজোপা গছৰ ডালত ৰুটিৰ টোপোলাটো ওলোমাই থৈ বুঢ়াই খাঁহ কাটি থাকিল। অলপ সময় পাছত হঠাৎ ভালেমান বান্দৰ তালৈ আহি জঁপিয়া-জঁপি লগাই দিলে। বুঢ়াই অবাক দৃষ্টি মেলি বান্দৰবিলাকৰ লণ্ডভণ্ড কাণ্ডাকাণ্ড চাই থাকোঁতেই বান্দৰবিলাকে বুঢ়াৰ টোপোলাত থকা ৰুটিখিনি ৰঙতে জঁপিয়াজঁপি কৰি খাবলৈ ধৰিলে। বুঢ়া ভয়তে ঠৰ হ'ল, আৰু অবাক হৈ নিৰ্বাক দৃষ্টি মেলি চাই থাকিল।

ৰুটি খাই শেষ কৰি, অলপ পৰলৈ গছৰ ডালত ওলোমা বাদুলি খেল খেলি, বান্দৰবিলাকে বুঢ়াৰ কাষ চাপিল। চাওঁতে চাওঁতে বুঢ়াক আগুৰি ধৰি বান্দৰবিলাক বহি পৰিল। বুঢ়াৰ মুখৰপৰা মাত নোলোৱা হ'ল। তাৰ পাছত বান্দৰবিলাকে কৰিলে কি—বুঢ়াক দাঙি লৈ গ'ল এটা মন্দিৰৰ ভিতৰলৈ। মন্দিৰটো আছিল জৰাজীৰ্ণ। তাত বুঢ়া মৰাৰ দৰে বহি থাকিল, আৰু বান্দৰবিলাকো তাৰপৰা গুচি গ'ল; কিন্তু বান্দৰবিলাকে গুচি যোৱাৰ আগতে বুঢ়াৰ আগত ভালেখিনি খুচুৰা পইচা পেলাই থৈ গ'ল।

বহু সময়ৰ অন্তত, সেই খুচুৰা পইচাখিনি বুটলি লৈ, বুঢ়া ঘৰমুৱা হ'ল। এই পইচাখিনিৰে বুঢ়াই নতুন নতুন চুৰিয়া আৰু শাড়ী কিনিলে। লগতে

'পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী'

মিঠাই, পায়সৰ চাউল আৰু অন্যান্য দ্ৰব্য সামগ্ৰীও কিনি লৈ ঘৰলৈ উভতিলে।

ঘৰ পায়েই বুঢ়াই বুঢ়ীক বান্দৰবিলাকৰ বান্দৰামীৰ কথা ক'লে। তাৰ পাছত বুঢ়াই পিন্ধিলে নতুন চুৰিয়া, বুঢ়ীয়ে পিন্ধিলে শাড়ী। আৰু বুঢ়ীয়ে পিঠা-পায়সো ৰান্ধিলে। পায়স-পিঠাৰ গোন্ধ পাই চুবুৰীয়া বুঢ়ী এজনী আহিল আৰু হঠাৎ এইবোৰ আয়োজনে কাৰণ কি বুঢ়া-বুঢ়ীক সুধিলে।

বুঢ়া-বুঢ়ীয়ে চুবুৰীয়া বুঢ়ীকো খাবলৈ দিলে। চুবুৰীয়া বুঢ়ীয়ে খৰধৰকৈ খাই, ঘৰ পাই, গিৰিয়েকক সকলো কথা ভাঙি-পাতি কোৱাৰ অন্তত পুনৰ ক'লে "কালিলৈ তুমিও যোৱা তালৈ. মই তোমাক টোপোলাত ৰুটি বান্ধি দিম।"

আৰু বুঢ়ীৰ কথা মতে এই বুঢ়াও গ'ল ঘাঁহ কটা বুঢ়াৰ ভাও জুৰি। সেই গছজোপাৰ ডালত ৰুটিৰ টোপোলাটো ওলোমাই থ'লে। বান্দৰবিলাকো আহিল, ৰুটিও খালে, জঁপিয়া-জঁপিও কৰিলে. চুবুৰীয়া বুঢ়াকো অলৰ-অচৰ অৱস্থাত বহি থকা দেখি, ভালেমান বান্দৰে মিলি এই বুঢ়াকো সেই মন্দিৰলৈ লৈ যাবলৈ দাংকোলাকৈ দাঙি ল'লে।

কিন্তু বান্দৰবিলাকৰ বান্দৰামী দেখি চুবুৰীয়া বুঢ়াই হো হো কৰে হাঁহি উঠিল। আৰু লগে লগে বান্দৰবিলাকে চুবুৰীয়া বুঢ়াক দলিয়াই পেলাই বুঢ়াৰ চুলি ছিঙি গাত আঁচুৰি তৰ্ণাস্তি কৰিলে। বুঢ়াৰ গাৰ পৰা তেজ বিৰিঙি থাকিল। তাৰ পাছত বান্দৰবিলাক গুচি গ'ল, আৰু ক্ষত-বিক্ষত বুঢ়াই ঘৰলৈ উভতি আহিল।

ইপিনে—চুবুৰীয়া বুঢ়ীয়ে ঘৰৰ ছিঙা-ফটা কাপোৰ-কানিখিনি পুৰি পেলাইছিল বুঢ়াই নতুন কাপোৰ-কানি লৈ আহিবৰ আশাৰে। কিন্তু বুঢ়ীৰ মনৰ এই আশাকো ঈৰ্ষাৰ জুয়ে পুৰি পেলালে!


আমেৰিকাৰ মাছাচুছেট্‌ছ হ্বেলিং জাদুঘৰত মুখৰ তলৰ
ফালৰ এযোৰ আলু আৰু দাঁত আছে। এঘাৰ ইঞ্চি
ওখ এই দাঁতযোৰ তিমি মাছৰ দাঁত। এই
দাঁতৰ ওজন ৩°৮৮ গ্ৰাম!
অতিকায় দাঁত


জুখি মাখি
ঘৰত ষিবোৰ মাখি উৰি ফুৰে, সাধাৰণতঃ সেইবোৰ
মাখিয়ে নানান ব্যাধিৰ জীবাণুও কঢ়িয়াই ফুৰে।
হাইজা [কলেৰা], টাইফয়ড [সান্নিপাতিক জ্বৰ],
প্লেগ আদি বেমাৰৰ জীৱাণু মাখিয়েহে সংক্ৰামিত কৰে!

ওপোছম,
ওপোছম হ'ল দেখাত বন-বিৰালীৰ দৰে এটা
আমেৰিকান জন্তু। আন কোনোবা জন্তুৱে
ওপোছমক খেদি অহা মাত্ৰেই ওপোছমে
মৰাৰ ভাও জুৰি পৰি থাকে। মৃতকৰ
ভাও দিয়াত ওপোছম অদ্বিতীয়!

চান্দমামা

চিত্তাকৰ্ষক আৰু জ্ঞানবৰ্ধক উৎকৃষ্ট মাহেকীয়া

* চান্দমামাই পুৰাণ আৰু সাহিত্যৰ শ্ৰেষ্ঠ ৰচনাসমূহক সুষ্ঠুভাৱে প্ৰকাশ কৰে।
* চান্দমামাই উদাৰ দৃষ্টিভংগীৰে আৰু সহজতম ভাষাৰে বিশ্ব-সাহিত্য পৰিবেশনা কৰে।
* চান্দামামাই সহজ-সৰল-নিৰ্মল বৰ্ণনাৰ যোগেদি পাঠক-পাঠিকাৰ আনন্দবৰ্ধন কৰাৰ লগে লগে জ্ঞানৰ সমলো যোগায় আৰু তাৰ ফলত পাঠক-পঠিকাৰ উৎসাহো বৃদ্ধি পায়।
* চান্দমামাই পুৰাণ-গাথাসমূহৰ সৈতে প্ৰামাণ্যভাৱে পাঠকক চিনকি কৰাই দিয়ে।
* শিশু তথা চেমনীয়াসকলৰ বাবে প্ৰকাশিত চান্দমামাই সিহঁতৰ প্ৰাণত আনন্দ তথা উদ্দীপনা কঢ়িয়াই আনে।
* চান্দমামা কেৱল আপোনাৰ নহয়, আপোনাৰ আত্মীয়-স্বজন, বন্ধু-বান্ধৱসকলৰো এক অপৰিহাৰ্য্য পাঠ-মাধ্যম। চান্দমামা নিজে পঢ়ক, আনলৈকো উপহাৰ দিয়ক।

তেৰটা ভাষাত চান্দমামা প্ৰাকাশিত হয়। আপুনি নিম্নলিখিত যিকোনো ভাষাৰ চান্দমামাৰ গ্ৰাহক হ'ব পাৰে:

তেলুগু, তামিল, হিন্দি, ইংৰাজী, অসমীয়া, গুজৰাটী, কন্নড়, মালয়ালম, মৰাঠী, ওড়িয়া, বাংলা, পঞ্জাবী আৰু সংস্কৃত ভাষাত চান্দমামা প্ৰকাশিত হয়।

চান্দমামাৰ বছৰেকীয়া বৰঙণি ৩০·০০ টকা মাথোন।

আপুনি কোন ভাষাৰ চান্দমামা ল'ব—তাৰ উল্লেখ কৰি, তলৰ ঠিকনালৈ টকা পঠাওক:

ডল্টন এজেন্সিজ

চান্দমামা বিল্ডিংছ, ভাদাপালানি, মাদ্ৰাজ-৬০০ ০২৬

ফটো-নামকৰণ প্ৰতিযোগিতা : : পুৰস্কাৰ ৫০ টকা

পুৰস্কৃত নাম ১৯৮৮ চনৰ এপ্ৰিল সংখ্যাত প্ৰকাশিত হ'ব

* ফটো-নামকৰণদুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দ কেইটাৰ মাজত ছন্দগত মিল থাকিবলাগিব। ১৯৮৮ চনৰ ফেব্ৰুৱাৰি মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব। উক্ত তাৰিখৰ পাছত অহা চিঠি গ্ৰহণযোগ্য নহ'ব।
* সৰ্বশ্ৰেষ্ঠ-নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ৫০ টকা পুৰস্কাৰ দিয়া হ'ব।
* ফটো-নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

**ঠিকনা : CHANDAMAMA PHOTO CAPTION COMPETETION. (ASSAMESE)
POST BOX NO. 9116 CALCUTTA-700 016.**

১৯৮৭ চনৰ ডিছেমবাৰ মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফটো : মুখত দেখি গাখীৰ চামোচ দ্বিতীয় ফটো : মেওজনীয়ে মাৰে খামোচ

পুৰস্কাৰ প্ৰাপক : অনুপ বৰুৱা, বৰখেৰেমীয়া, নামৰূপ-৭৮৬ ৬২১।

[পুৰস্কাৰৰ ৫০ টকা এই মাহৰ শেষৰ ফালে পঠোৱা হ'ব]

চান্দমামা

ভাৰতত বছৰেকীয়া বৰঙণি ৩০'০০ টকা মাথোন

তলৰ ঠিকনালৈ পঠাব লাগিব :

DOLTON AGENCIES, CHANDAMAMA BUILDINGS, VADAPALANI, MADRAS-600 026

নাইবা

Chandamama Publications, Chandamama Buildings, Vadapalani, Madras-600 026.

Printed by B.V. REDDI at Prasad Process Private Ltd., 188 N.S.K. Salai, Madras 600 026 (India) and Published by B. VISHWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

নিশ্বাসৰ দুৰ্গন্ধ দূৰত ৰাখক। দাঁতৰ ক্ষয়ৰোগ ৰোধ কৰক।

আপোন কৰি লওক ক'লগেটৰ সুৰক্ষা চক্ৰ!

ক'লগেটৰ দৈনন্দিন ব্যৱহাৰে
আপোনাৰ পৰিয়ালক দিয়ে সুস্থ সবল দাঁত, নিৰ্মল শ্বাস-প্ৰশ্বাস।
সেইটোৱেই হ'ল ক'লগেটৰ সুৰক্ষা চক্ৰ।

প্ৰতিবাৰেই আপুনি দাঁত ঘঁহোতে ক'লগেটৰ নিৰ্ভৰযোগ্য ফৰমূলাই এনেদৰে ক্ৰিয়া কৰে:



নিশ্বাসৰ দুৰ্গন্ধ আৰু দাঁতৰ ক্ষয়ৰোগ সৃষ্টি হয় দাঁতৰ ফাকত লাগি থকা খাদ্যৰ টুকুৰাবোৰৰ পৰা।



ক'লগেটৰ অদ্বিতীয় সক্ৰিয় ফেনবোৰ দাঁতৰ ফাকবোৰলৈকে সোমাই গৈ এই দুৰ্গন্ধ সৃষ্টিকাৰী খাদ্যৰ টুকুৰাবোৰ আঁতৰাই আৰু ক্ষয় ৰোগৰ সৃষ্টিকাৰী বীজাণু দূৰ কৰে।



ক'লগেটৰ দৈনন্দিন ব্যৱহাৰে আপোনাক দিয়ে সুস্থ সবল দাঁত,
নিৰ্মল শ্বাস প্ৰশ্বাস।

আপোনাৰ পৰিয়ালৰ সকলোৱেই যাতে প্ৰতিবাৰেই খোৱাৰ পিচত ক'লগেটেৰে দাঁত ঘঁহে সেইবিষয়ে নিশ্চিন্ত হওক।

নিশ্বাসৰ দুৰ্গন্ধ দূৰত ৰাখক,
দাঁতৰ ক্ষয়ৰোগ ৰোধ কৰক।
আপোন কৰি লওক
ক'লগেটৰ সুৰক্ষা চক্ৰ।



আপুনি মুগ্ধ হ'ব
এই মিন্টি সোৱাদত!

84-55 Asm

Help mother rabbit find her bunnies.



The G-r-r-reat taste adventure

Cadbury's Wildlife BAR

Now, capture the taste of Cadbury's Dairy Milk with Cadbury's Wildlife Bars. Each bar with fun animal shapes on it – and in a range of twelve exciting wildlife wrappers.

Cadbury's Wildlife Bars. Track them down!

OBM/2112


Treat yourself to something special!
Big BON-BONs from nutrine
Tasty, creamy, fruity delights
In four delicious flavours
GREAT NEW BON BONS
from nutrine, naturally!
MILK CREAM
LEMON COCONUT
FRUITY • CHOCOMINT
nutrine
BON BON
nutrine India's largest selling sweets
Nutrine Confectionery Company Private Limited, Chittoor, A.P.
CLARION/NC/8571